


*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৭ ফেব্ৰুৱাৰী, ২০২৫/২৪ মাঘ ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ ● সংখ্যা - ৪২ ● Vol - 13, Issue - 42

## জাগীৰোডত 'আছাম ইলেকট্ৰনিক্স এণ্ড ছেমিকণ্ডাক্টৰ ল'জিষ্টিক্স পাৰ্ক'ৰ ক্ষেত্ৰ উন্নীতকৰণৰ কাম আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

### ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শনকালত টাটা ইলেকট্ৰনিক্সৰ শ্ৰমিক-কৰ্মচাৰী তথা বিষয়াসকলৰ মুখ্যমন্ত্ৰীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন











**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ ঔদ্যোগিক উন্নয়নৰ যাত্ৰাত এক নতুন মাত্ৰা সংযোজন কৰি জাগীৰোডত 'আছাম ইলেকট্ৰনিক্স এণ্ড ছেমিকণ্ডাক্টৰ ল'জিষ্টিক্স পাৰ্ক'ৰ ক্ষেত্ৰ উন্নীতকৰণৰ কাম আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই উপলক্ষে উপস্থিত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে সদৰী কৰে যে এই ঔদ্যোগিক পামৰ ভিতৰতে এখন কেন্দ্ৰীয় বিদ্যালয়, এখন চিকিৎসালয় আৰু তাৰকাযুক্ত হোটেল এখন স্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। তদুপৰি এই ঔদ্যোগিক পামখনত ৬০০ বিঘাতকৈও অধিক ভূমি নতুন উদ্যোগ স্থাপনৰ বাবে ৰখা হ'ব বুলিও তেওঁ সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে 'আছাম ইলেকট্ৰনিক্স এণ্ড ছেমিকণ্ডাক্টৰ ল'জিষ্টিক্স পাৰ্ক'খন নিৰ্মাণ কৰিব। আনহাতে অসমৰ ঔদ্যোগিক আৰু প্ৰযুক্তিগত বিকাশৰ দিশত এক দিগন্তৰ সূচনা কৰিবলগীয়া জাগীৰোডৰ অৰ্দ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ নিৰ্মীয়মান প্ৰকল্পস্থলীও মুখ্যমন্ত্ৰী ড° শৰ্মাই পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত উদ্যোগটোৰ নিৰ্মাণকাৰ্যৰ বৰ্তমানলৈ হোৱা অগ্ৰগতিকে ধৰি বিভিন্ন দিশৰ তেওঁ বুজ লয়। টাটা ইলেকট্ৰনিক্সৰ বিষয়ববীয়াসকলৰ সৈতে হোৱা বৈঠকত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে এই প্ৰকল্পটোলৈ ৰাজ্য চৰকাৰে যথাসম্ভৱ সকলো সহায়-সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনকালত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, *১০ পৃষ্ঠাত*

### ড° হিমন্ত বিশ্ব শৰ্মা দেশৰ এক সম্পদ ঃ সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত


## শুৱালকুছিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উদ্‌যাপন





**দিলীপ মেধি, শুৱালকুছি ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৬ সংখ্যক জন্মদিন জালুকবাৰী সমষ্টিৰ অন্তৰ্গত শুৱালকুছিত বিভিন্ন কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হয়। জন্মদিন উপলক্ষে শুৱালকুছি অন্যতম সামাজিক অনুষ্ঠান বৃহত্তৰ শুৱালকুছি 'সমন্বয় মঞ্চ' ৰ উদ্যোগত পুৰা কামৰূপ জিলাৰ একমাত্ৰ উদাসীন ঐতিহাসিক সত্ৰ শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰত ভকত - বৈষ্ণৱৰ মাজত নাম প্ৰসংগ অনুষ্ঠিত হয়। নাম প্ৰসংগৰ অন্তত সকলোৱে মুখ্যমন্ত্ৰী গৰাকীৰ সু-স্বাস্থ্যৰ আৰু দীৰ্ঘায়ু কামনা কৰি গুৰুআসনৰ সন্মুখত সেৱা লয়। সত্ৰাধিকাৰে আশীৰ্বাদ প্ৰদান কৰে। ইয়াৰ পিছতে সত্ৰখনৰ সভাগৃহত অনুষ্ঠিত হয় এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰ। শিৱিৰটি উদ্বোধন কৰি সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই ড° হিমন্ত বিশ্ব দেশৰ বাবে এক সম্পদ বুলি উল্লেখ কৰি কয় যে দেশ ৰাজ্যৰ উন্নয়নৰ বাবে তেওঁ সৰ্বস্ব উজাৰি দিছে। এনে এগৰাকী দেশ সেৱক পোৱাটো আমাৰ বাবে সৌভাগ্য। মুখ্যমন্ত্ৰী গৰাকীয়ে অসমৰ উন্নয়ন বাবে বিদেশৰ কেবাখনো দেশত উপস্থিত হৈ সেই দেশ সমূহক *১০ পৃষ্ঠাত*

## গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেলৰ পুনৰ উন্নীতকৰণ আৰু সংবৰ্ধনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল পুনৰ উন্নীতকৰণ আৰু সংবৰ্ধনৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে সাংবাদিকসকলৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰীয়ে কয় যে উদ্বোধন কৰা এই পদক্ষেপসমূহৰ অধীনত বিমানবন্দৰলৈ যাত্ৰীসকলৰ চলাচলৰ সুবিধা হোৱাকৈ সন্মুখফালৰ প্লেটফৰ্মৰ এলেকা ২৭০ বৰ্গমিটাৰৰ পৰা ১০০০ বৰ্গমিটাৰলৈ বৃদ্ধি কৰাৰ লগতে বিমান বন্দৰলৈ প্ৰৱেশ পথৰ সংখ্যা ৮ লেনৰ পৰা ১৪ লেনলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰি বিমানবন্দৰৰ পৰিৱেশ অধিক সেউজ কৰি তোলাৰ অংশ হিচাপে ৩০০ বৰ্গমিটাৰৰ নতুন বাগিচা বিকশিত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। যাত্ৰীসকলৰ সুবিধা হোৱাকৈ প্ৰায় ৯০০ বৰ্গমিটাৰ পদপথ বিকশিত কৰাৰ লগতে ১৪০ মিটাৰ দীঘল স্থাপত্যৰে খচিত এখন দেৱাল নিৰ্মাণ কৰা হৈছে যাৰ জৰিয়তে বিমান বন্দৰৰ পৰিৱেশ অধিক নান্দনিক হৈ উঠাৰ লগতে বাহনৰ গতিবিধিৰ শব্দও হ্ৰাস কৰিব বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক অৱগত কৰে। আনহাতে, বাহনৰ সুচল চলাচলত সহায় হোৱাকৈ বিমান বন্দৰত প্ৰৱেশ লেন দুটাৰ পৰা চাৰিটালৈ আৰু প্ৰস্থানৰ লেন ৩টাৰ পৰা ৪টা বৃদ্ধি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ডিজিটেল ইণ্ডিয়া মডেলৰ সৈতে খাপখুৱাকৈ যাত্ৰীসকলৰ সুবিধাৰ বাবে চাৰিখন ডিজি যাত্ৰা গেট মুকলি কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। *১০ পৃষ্ঠাত*






# উঃ মাঃ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাত জিলা প্ৰশাসনৰ বিশেষ নিৰ্দেশনা

**দিলীপ মেধি, শুৱালকুছি ঃ** আগন্তুক উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ২০২৫-ৰ সময়চোৱাত ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ বাবে এক শান্তিপূৰ্ণ পৰিৱেশ প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগৰে সমগ্ৰ জিলাখনত প্ৰযোজ্য হোৱাকৈ অনুমতিবিহীনভাৱে লাউড স্পীকাৰ আৰু মাইক্ৰ'ফোনৰ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিছে। তেওঁ লগতে নিশাৰ ভাগত আৰু পৰীক্ষা চলি থকাৰ সময়তো লাউড স্পীকাৰ আৰু মাইক্ৰ'ফোন আদিৰ ব্যৱহাৰ, পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীল ব্যক্তিৰ সমাৱেশ তথা অপ্ৰয়োজনীয়ভাৱে ভিৰ সৃষ্টি কৰা আৰু পৰীক্ষা কেন্দ্ৰলৈ পৰীক্ষাৰ্থীয়ে মোবাইল ফোন, ইলেক্ট্ৰ'নিক ডিভাইচ আদিকে ধৰি অনুমতি নোহোৱা আৰু সন্দেহজনক সামগ্ৰী কঢ়িয়াই নিয়াতো নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখ্য যে সমগ্ৰ জিলাতে বিভিন্ন কাৰ্যসূচী বা অনুষ্ঠানৰ সময়ত লাউড স্পীকাৰ আৰু মাইক্ৰ'ফোনৰ ব্যৱহাৰে শব্দ প্ৰদূষণৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত ব্যাঘাত জন্মাব পৰাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা আৰোপৰ সময়ত জিলাখনত পৰীক্ষাৰ সময়চোৱাত ৰাজহুৱা শান্তি-শৃংখলা ব্যাহত হ'ব পৰা আৰু পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে একাংশ লোকে অসৎ উপায় অৱলম্বন কৰাৰ দৰে ঘটনাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে আৰু সমগ্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সুকলমে চলাই নিয়াৰ স্বাৰ্থত এই নিষেধাজ্ঞা আৰোপ কৰিছে। একেদৰে পৰীক্ষা চলাই নিয়াৰ প্ৰক্ৰিয়াত যাতে কোনেও বেআইনীভাৱে হস্তক্ষেপ কৰিব নোৱাৰে তথা পৰীক্ষা প্ৰক্ৰিয়া সুচাৰুৰূপে অনুষ্ঠিত কৰাত ব্যাঘাত জন্মাব নোৱাৰে আৰু পৰীক্ষাৰ বাবে আইনীভাৱে নিয়োজিত লোকক কৰ্তব্য পালনত বাধা, অনাহকত বিৰক্ত বা আঘাত কৰিব নোৱাৰে তথা পৰীক্ষা কেন্দ্ৰৰ ওচৰে পাজৰে যাতে কোনো বেআইনী কাৰ্যকলাপ বা বিক্ষিপ্ত ঘটনা সংঘটিত নহয় তাৰ প্ৰতিও লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তাৎক্ষণিকভাৱে বলবৎ হোৱা এই নিষেধাজ্ঞা পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বাহাল থাকিব।

# পথাৰ আমাৰ, বজাৰো আমাৰ শ্লʼগানেৰে আগবাঢ়িছে মাজুলীৰ যুৱক ৰঞ্জিত কলিতা



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলীৰ চিলাকলা পঞ্চায়তৰ অন্তৰ্গত বিৰিণাবাৰী গাঁৱৰ যুৱক ৰঞ্জিত কলিতা এতিয়া অঞ্চলটোৰ নৱপ্ৰজন্মৰ বাবে এক আদৰ্শ হৈ পৰিছে। পথাৰ আমাৰ, বজাৰো আমাৰ শ্লʼগানেৰে আগবাঢ়িছে ৰঞ্জিত। ৰঞ্জিতে জৈৱিকভাৱে কৰা থাইগ্ৰীণ বগৰীৰ খেতিয়ে ৰাইজৰ পৰা বুটলিছে সমাদৰ। আৰ্থিক অনাটনত পৰি এদিন অসমৰ বাহিৰত গৈ কাম কৰা যুৱকজনে পুনৰ ঘৰলৈ ঘূৰি আহি একক প্ৰচেষ্টাৰে পৰিয়ালৰ সহযোগত বিৰিণাবাৰী গাঁৱৰ কুমলীয়া পথাৰৰ নদী পাৰত জৈৱিকভাৱে কৰা বিভিন্ন ৰবি শস্যৰ খেতিৰে এক সেউজ বিপ্লৱ গঢ়ি তুলিছে। ৰঞ্জিতে কলিকতাৰ পৰা অনা উন্নত সঁচৰ থাইগ্ৰীণ বগৰীৰ পুলি ২ বিঘা মাটিত সম্পূৰ্ণ জৈৱিকভাৱে কৰি বছৰি প্ৰায় ৫ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। আকৌ জৈৱিকভাৱে কৰা বিভিন্ন ৰবি শস্য আৰু ছাগলীৰ পালনেৰে বছৰি যথেষ্ট টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে ৰঞ্জিত।

# শিৱসাগৰ যুৱদলত আছুৰ নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰণ ফুকনক সম্বৰ্ধনা




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰ বাকৰি আৰু পৰাগধৰ চলিহা ষ্টেডিয়ামত যোৱা ২৭-২৮ ডিচেম্বৰত অনুষ্ঠিত হৈ যোৱা আছুৰ শিৱসাগৰ সাধাৰণ সভাৰ জৰিয়তে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱা সমীৰণ ফুকনক শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদোগত আয়োজন কৰা এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানত শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰে। বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাব, জাগৃতি মহিলা সমিতি, শিৱসাগৰ ই মিডিয়া, আহোম সেনাৰ জয়া বাহিনী, ৰাৰিয়ৰ্চ শিৱসাগৰ আঞ্চলিক সমিতি, অসমীয়া যুৱ মঞ্চ, অসমীয়া মহিলা মঞ্চ, ৰংপুৰ জ্যোতি ক্লাব, নেচাৰ্চ বেকন ৰংপুৰ আঞ্চলিক সমিতি, শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থা, জয়সাগৰ আঞ্চলিক ছাত্ৰ সন্থা, নদী আৰু নাৰী, অসম মহিলা সমিতি, লক্ষিমী নগৰ মধ্য ইংৰাজী বিদ্যালয় আদিকে প্ৰমুখ্য কৰি কেইবাটাও অনুষ্ঠানে সমীৰণ ফুকনক সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে, সম্বৰ্ধনা গ্ৰহণ কৰি নৱ-নিৰ্বাচিত সম্পাদকগৰাকীয়ে অসমৰ সকলো জাতি-জনগোষ্ঠী, ধৰ্ম, ভাষা বৰ্ণ নিৰ্বিশেষে সমিলমিলেৰে সম্প্ৰীতিৰে কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে।

# নগাঁৱত মে-ডাম-মে-ফি উৎসৱ উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে নগাঁও জিলাটো যোৱা ৩১ জানুৱাৰীত মে-ডাম-মে-ফি উৎসৱ উদ্‌যাপন কৰা হয়। নগাঁও জিলা টাই আহোম সমাজ আৰু সাংস্কৃতিক কেন্দ্ৰ, নগাঁও জিলা টাই সাহিত্য সভা, নগাঁও জিলা টাই আহোম যুৱ পৰিষদৰ উদ্যোগত নগাঁও চহৰৰ উমফা মন্দিৰত দিনযোৱা কাৰ্যসুচীৰে এই দিৱস উদ্‌যাপন কৰা হয়। পুৱা নগাঁও জিলা টাই আহোম সমাজ আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি যোগেন্দ্ৰ নাথ গোহাঁইয়ে পতাকা উত্তোলনৰে উৎসৱৰ শুভাৰম্ভ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে উপসভানেত্ৰী ভাৰতী বৰুৱাই। বন্তি প্ৰজ্বলন কৰে কাৰ্যকৰী সভাপতি গুণিন্দ্ৰ নাথ ফুকনে। মে-ডাম-মে- ফি তৰ্পণ কৰে নিৰুপমা গোহাঁই আৰু লোকেশ্বৰ সন্দিকৈয়ে। ইয়াৰ পিছতে পূৰ্বপুৰুষ সকলৰ স্মৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে উৎসৱ পৰিচালনা সমিতিৰ উপসভানেত্ৰী ৰীতা গোহাইয়ে। অনুষ্ঠানত সহযোগিতা আগবঢ়াই অঞ্জনা গোহাঁই, ভাৰতী বৰুৱা, ইন্দুমতী ফুকন আৰু দেৱদত্ত ফুকনে। দুপৰীয়া যোগেন্দ্ৰ নাথ গোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি সাহিত্যিক বিভা ফুকন আৰু পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ উপসভাপতি পুস্পেন্দ্ৰ বৰগোহাইয়ে উৎসৱৰ তাৎপৰ্য বাখ্যা কৰে। সভাত গুনিন্দ্ৰ নাথ গোহাঁই, ক্ষীৰোদ বৰফুকন, টুল টুল গগৈ, লক্ষী চেতিয়া, টাই আহোম যুৱ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি কৃতিজিৎ ঢেকিয়াল ফুকন কাৰ্যকৰী সভাপতি প্ৰসেনজিৎ গোহাঁই সম্পাদক উদীপ্ত গোহাঁই, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সাংবাদিক আদিয়ে অংশগ্ৰহণ কৰে। সদৌ অসম টাই আহোম ছাত্ৰ সন্থাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত নগাঁও চহৰৰ সমীপৱৰ্তী চকৰিগাঁওস্থিত সন্থাৰ কাৰ্যালয়ত এই উৎসৱ উদ্‌যাপন কৰা হয়। পৰম্পৰাগত ভাৱে পূজা অৰ্চনা কৰাৰ পিছত মুকলি সভা অনুষ্ঠিত হয়। সভাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতা ৰিংকু বৰাই উৎসৱৰ তাৎপৰ্য ব্যাখ্যা কৰে। সভাত সন্থাৰ নগাঁও জিলা সমিতিৰ সভাপতি লোকেন্দ্ৰ গগৈ সাধাৰণ সম্পাদক ৰঞ্জু গগৈ আদিয়ে অংশগ্ৰহণ কৰে। ইপিনে জিলাখনৰ কামপুৰ, কলিয়াবৰ, চাপানলা আদিটো এই দিৱস উদ্‌যাপন কৰা হয়।

# ডিব্ৰুগড়ত ৰেডিঅ' জ্ঞানমালিনীৰ উদ্যোগত আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ উদ্যোগত চকু পৰীক্ষা শিবিৰ



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ সেৱা ৰেডিঅ' জ্ঞানমালিনীয়ে অহা ৭ ফেব্ৰুৱাৰীত সম্পূৰ্ণ কৰিব প্ৰতিষ্ঠাৰ ষষ্ঠটো বৰ্ষ। এই সুদীৰ্ঘ সময়ছোৱাত ৰেডিঅ' জ্ঞান মালিনীয়ে ৰাইজৰ মাজত অনুষ্ঠিত কৰি আহিছে বিভিন্ন সেৱাৰ কাৰ্যসূচী। এই কাৰ্যসূচী সমূহৰ অন্তৰ্গত প্ৰতিষ্ঠা দিৱস উপলক্ষে স্থানীয় বিনৈগুটিয়া গাঁৱত ৩১ জানুৱাৰী বৰবৰুৱা ঘূৰণীয়া অঞ্চলৰ বিনৈগুটীয়া গাঁৱৰ 'সূৰ্যোদয় সংঘ' প্ৰাংগণত অসম চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত এটি এদিনীয়া বিনামূলীয়া চকু পৰীক্ষা শিবিৰ আয়োজন কৰে। এই শিবিৰত গাঁওখনৰ প্ৰায় সত্তৰ গৰাকী ৰাইজে সেৱা গ্ৰহণ কৰি উপকৃত হোৱাৰ লগতে বিনামূলীয়া ঔষধ আৰু চচমা লাভ কৰে আৰু বিভাগটোৱে চকুত চানি পৰা সকলক বিনামূলীয়া অষ্ট্ৰোপচাৰৰ বাবেলৈ গৈ কৰি দিয়াৰ ব্যৱস্থা কৰে। জ্ঞানমালিনী অনুষ্ঠানৰ কাৰ্যবাহী স্বপ্নালী ভূঞাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটিত উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমা গুৰু গণিত বিভাগৰ প্ৰাধ্যাপক সুৰজিত বৰকটকী, বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিষয়া দীপজ্যোতি গগৈ, ৰেডিঅ' জ্ঞানমালিনীৰ সঞ্চালক জিতু ৰঞ্জন চেতিয়া লগতে ৰেডিঅ' জ্ঞানমালিনীৰ কৰ্মকতা উদীপনা শইকীয়া আৰু কংকনা গগৈ। অনুষ্ঠানটি উদ্বোধন কৰি ছাত্ৰ পৰিক্ৰমা গুৰু প্ৰাধাপক সুৰজিত বৰকটকীয়ে কয় যে এনে সেৱাই ৰাইজক সদায়ে উপকৃত কৰে। অসম চিকিৎসা মহাবিদ্যালয়ৰ চকুৰোগ বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ তপন গগৈ আৰু অধ্যাপক ডাঃ ৰাজীৱ কুমাৰ দাসৰ উদ্যোগত অনুষ্ঠিত হোৱা এই শিবিৰত উপস্থিত থাকি ৰাইজক সেৱা প্ৰদান কৰে ড° কিৰণ বৰা, ড° বিনিতা য়াদৱ, ড° যেচিম আহমেদ আৰু অভিজিত সোনোৱালে। গাঁৱৰ ৰাইজে জ্ঞানমালিনীৰ এই পদক্ষেপক শলাগ লয় লগতে বিভিন্ন অসুবিধাৰ বাবে চকুজুৰি দেখুৱাব নোৱাৰা গাঁৱৰ ৰাইজে ওচৰতে এনে সেৱা লাভ কৰি সন্তোষ প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এই গাঁৱতে গাঁৱৰ মহিলা আৰু শিক্ষাৰ্থীসকল উপকৃত হোৱাকৈ বহুকেইটা প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰে ৰেডিঅ' জ্ঞানমালিনীয়ে। আটাইকেইটা কাৰ্যসূচীত ৰাইজৰ বিপুল সহাঁৰি আৰু সহযোগিতা পৰিলক্ষিত হয়।

# পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা বিষয়ক গৱেষণাধৰ্মী আলোচনী প্ৰকাশৰ প্ৰস্তুতি

**দিলীপ মেধি, শুৱালকুছি ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে ইডুকেয়াৰ (Educare) নামৰ শিক্ষা বিষয়ক এখনি গৱেষণাধৰ্মী আলোচনী প্ৰকাশ কৰিব। প্ৰতিটো সংখ্যা একো একোটা বিষয়বস্তুৰ আধাৰত প্ৰকাশ পাব। বছৰত একোটা সংখ্যা প্ৰকাশ পাব। আই. এছ. বি. এন ( ISBN) সহ প্ৰকাশ পাব লগা গৱেষণাধৰ্মী এই আলোচনীখনৰ এই সংখ্যাৰ বিষয়বস্তু হ'ল শ্ৰেণীকোঠাৰ বাহিৰত শিক্ষা (Education Beyond Academics)। মূল বিষয়বস্তুৰ উপ-বিষয় হিচাপে গৱেষণা পত্ৰ লিখোতাসকলে শিক্ষাৰ্থীৰ দক্ষতা বিকাশ, সুবিবেচিত চিন্তাৰ বিকাশ, ইতিবাচক মানসিকতা, সহনশীলতা, সংবেদনশীলতা, সৰ্বাত্মক শিক্ষা, মানৱীয় মূল্যবোধ, দলগত কাৰ্য, সমস্যাৰ সন্মুখীন হোৱাৰ দক্ষতা, ব্যৰ্থতাৰ পৰা শিক্ষা, বহু সংস্কৃতিৰ অভিজ্ঞতা, আৱেগিক বুদ্ধিমত্তা, সহযোগিতাৰ শিক্ষা, পৰিৱেশ সচেতনতা, ঐতিহ্যৰ শিক্ষা, কৃতজ্ঞতা প্ৰকাশৰ শিক্ষা, চৰিত্ৰ গঠন, সমস্যা সমাধানৰ শিক্ষা, শাৰিৰীক আৰু মানসিক স্বাস্থ্যৰ শিক্ষা, সততাৰ শিক্ষা আদি বিষয় বাছনি কৰিব পাৰিব। গৱেষণা পত্ৰসমূহ সৰ্বাধিক ১০০০ৰ পৰা ১৫০০ শব্দৰ ভিতৰত লিখিব লাগিব। গৱেষণা পত্ৰ ইংৰাজী আৰু অসমীয়াৰ যিকোনো এটা ভাষাত লিখিব লাগিব। গৱেষণা পত্ৰ দাখিলৰ বাবদ কোনো মাচুল দিব নালাগে। বিশ্ববিদ্যালয়, মহাবিদ্যালয়, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত কৰ্মৰত শিক্ষক, শিক্ষা বিষয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী বা আন শিক্ষাসদীয়ে গৱেষণা পত্ৰ দাখিল কৰিব পাৰিব। গৱেষণা পত্ৰসমূহ ডিটিপি কৰি পিডিএফ আৰু পেজ মেকাৰ ফাইল লগত দিব লাগিব। সম্পাদক মণ্ডলীয়ে প্ৰকাশৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা গৱেষণা পত্ৰসমূহ প্ৰকাশ কৰা হ'ব। গৱেষণা পত্ৰৰ লগত নিজৰ একপি পাছপোৰ্ট আৰ্হিৰ ফটোসহ সম্পূৰ্ণ ঠিকনা, মোবাইল নম্বৰ, ই-মেইল উল্লেখ কৰিব লাগিব। গৱেষণা পত্ৰসমূহ অহা ১৫ মাৰ্চৰ ভিতৰত পোৱাকৈ pranoy_1@yahoo.co.in ত পঠিয়াব লাগিব। মূল কপি এটা তলৰ ঠিকনাত পঠিয়াব পাৰে। পৰিচালনা ন্যাসৰক্ষী, পৰেশ বৈশ্য ফাউণ্ডেচন, হাউছফেড হাউছিং কমপ্লেক্স, পশ্চিম বৰাগাঁও, ডাকঘৰ ঃ গড়চুক, গুৱাহাটী -৭৮১০৩৫, কামৰূপ মহানগৰ।

# ৰাইজৰ কুশল মঙ্গলৰ বাবে শুৱালকুছি শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰত ৪৮ ঘণ্টীয়া ভাগৱত পাঠৰ সামৰণি

## শিশুকালৰ পৰাই সন্তানক আধ্যাত্মিক সংস্কাৰ দিয়া উচিত ঃ ভাগৱত ৰসজ্ঞ ৰণ্টু শইকীয়া



**দিলীপ মেধি, শুৱালকুছি ঃ** মহাকাব্য শ্ৰীমদ্ভাগৱতত ভগৱান শ্ৰীকৃষ্ণ ভক্তি মাৰ্গত সম্পূৰ্ণ বৈজ্ঞানিক ভিত্তিত সমাজ সংস্কাৰৰ বিষয়ে সুন্দৰ বিশ্লেষণ আগবঢ়াইছে। সেয়ে আমাৰ শিশুসকলক পিতৃ-মাতৃসকলে শিশু অৱস্থাৰ পৰাই আধ্যাত্মিক সংস্কাৰ দিয়াটো সময়ৰ আহ্বান। সাম্প্ৰতিক সময়ত যৌথ পৰিয়াল চেদ হৈ একক পৰিয়াল ব্যৱস্থা হোৱাত বিভিন্ন কুসংস্কাৰে দেখা দিছে। ককা-আইতাৰ সাধুকথাৰ নীতি শিক্ষা আজিৰ শিশুৱে শুনিবলৈ নোপোৱা হ'ল। যাৰ ফলত সৰুৱে ডাঙৰক শ্ৰদ্ধা নকৰা, ডাঙৰে সৰুক মৰম নকৰা আদি ব্যৱস্থা গা কৰি উঠা দেখা গৈছে। এই বক্তব্য বিশিষ্ট ভাগৱত ৰসজ্ঞ ৰণ্টু শইকীয়াৰ। পূৱ শুৱালকুছিৰ শ্ৰীশ্ৰীকৃষ্ণ মন্দিৰত ২৯ আৰু ৩০ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৪৮ ঘণ্টীয়া ভাগৱত পাঠত অংশ লৈ তেঁও পুনৰ কয় যে যি সকলে একান্ত মনে ভক্তি ৰসত বুৰ যায় তেওঁলোকে ক্ষন্তেকৰ বাবে হ'লেও শ্যামকানু ভগৱান শ্ৰীকৃষ্ণৰ সাক্ষাৎ পাবই বুলি উল্লেখ কৰে। ৰাইজৰ কুশল মঙ্গলৰ হকে পূব শুৱালকুছিৰ অন্যতম ধৰ্মীয়পীঠ শ্ৰীশ্ৰীকৃষ্ণ মন্দিৰ পৰিচালনা সমিতি আৰু ভকত সমাজৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে ভাগৱত পাঠৰ বিয়লি সামৰণি পৰে। উক্ত অনুষ্ঠানত বিশ্বনাথৰ বিশিষ্ট ভাগৱত ৰসজ্ঞ ক্ৰমে বিশ্বনাথ চাৰিআলিৰ ৰন্টু শইকীয়া শিৱসাগৰৰ লোহিত সন্ধিকৈ আৰু ৰঙিয়াৰ অচ্যুতানন্দ দাসে সুন্দৰ ভাগৱত পাঠ আৰু বৰ্ণনাৰে উপস্থিত ভকত বৈষ্ণৱ আৰু আই মাতৃসকলক মুগ্ধ কৰে। ভাগৱত পাঠৰ আগদিনা ৰাইজ গয়ৰহৰ প্ৰতি পৰিয়ালৰ পদূলিত একোগছিকৈ বন্তি জ্বলাই এক ধৰ্মীয় পৰিৱেশ গঢ়ি তোলে।

# গুৱাহাটীৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্চিটিত এন চি চি কেডেটসকলক ৰিপাব্লিক ডে কেম্প (আৰ ডি চি) ২০২৫ৰ পৰা উভতি অহাৰ সময়ত সম্বৰ্ধনা অনুষ্ঠান




**গুৱাহাটী ঃ** নতুন দিল্লীৰ গণৰাজ্য দিৱস শিবিৰ (আৰ ডি চি) ২০২৫ৰ পৰা উভতি অহা এন চি চি কেডেটসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে ২০২৫ চনৰ ৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্চিটিত এক বৃহৎ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম তথা জাতিটোক অতি সুখ্যাতিৰে প্ৰতিনিধিত্ব কৰা কেডেটসকলৰ নিষ্ঠা, অনুশাসন, আৰু অসাধাৰণ কৃতিত্বক উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে এডিজি এনচিচি এনইআৰ, মেজৰ জেনেৰেল গগন দীপ, সেনা পদক। এইবাৰৰ আৰ ডি চি-২০২৫ত অংশগ্ৰহণ এন চি চি উত্তৰ-পূব অঞ্চলৰ বাবে এক ঐতিহাসিক মুহূৰ্ত হিচাপে পৰিগণিত হৈছিল, দিল্লীৰ সন্মানীয় গণৰাজ্য দিৱস শিবিৰত ১৭৬ জন কেডেটৰ দলটোৱে অঞ্চলটোক প্ৰতিনিধিত্ব কৰিছিল, য'ত অসমক প্ৰতিনিধিত্ব কৰিছিল ৮৯ জন কেডেটে। ৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁলোকৰ দৃষ্টান্তমূলক প্ৰদৰ্শনক অনুষ্ঠানৰ সময়ত স্বীকৃতি আৰু হাত চাপৰি দিয়া হয়। দলটোক অভিনন্দন জনাই সন্মানীয় উপাচাৰ্য অধ্যাপক ৱাই এছ আৰ মূৰ্তিয়ে যুৱ হৃদয়সকলক তেওঁলোকৰ আগন্তুক যাত্ৰাৰ বাবে উৎসাহিত কৰে। এন ই আৰ দলটোৱে তেওঁলোকৰ ব্যতিক্ৰমী কৃতিত্বৰ বাবে প্ৰশংসা লাভ কৰে, য'ত মূল গীতৰ ৰচনা 'দেশ'কে ধৰি আৰ ডি চিত শ্ৰেষ্ঠ গীতৰ সন্মান লাভ কৰে। কাৰ্তব্য পথ পেৰেডৰ সময়ত এন ই আৰৰ পৰা ১২ জন কেডেটে অঞ্চলটোক প্ৰতিনিধিত্ব কৰিছিল আৰু এঘাৰজন কেডেটক বিশেষ গাৰ্ড অৱ অনাৰৰ বাবে নিৰ্বাচিত কৰা হৈছিল। প্ৰধানমন্ত্ৰী ৰেলীৰ বাবে পেৰেড কমাণ্ডাৰ হিচাপে জ্যেষ্ঠ আণ্ডাৰ অফিচাৰ গ্ৰেচি মাৰাক নিৰ্বাচিত হোৱাটো অসম আৰু সমগ্ৰ এন ই আৰৰ বাবে অপৰিসীম গৌৰৱৰ মুহূৰ্ত আছিল। তদুপৰি মিজোৰামৰ ৪৫ গৰাকী কেডেটৰ মিক্সড পাইপ এণ্ড ড্ৰামছ বেণ্ডে তেওঁলোকৰ অভিনয়েৰে সকলোৰে হৃদয় আকৰ্ষণ কৰি 'বেষ্ট বেণ্ড অৱ এন চি চি ২০২৪-২৫'ৰ খিতাপ অৰ্জন কৰে ৰক্ষামন্ত্ৰী পদকক তেওঁৰ আদৰ্শ সেৱা আৰু নিষ্ঠাৰ বাবে। গুৱাহাটীৰ চাউথ পইণ্ট স্কুলৰ সহযোগী এন চি চি বিষয়া (এন অ') লেফটেনেণ্ট মৈত্ৰী হাজৰিকাক এন চি চিৰ প্ৰতি তেওঁৰ অসাধাৰণ অৱদান আৰু অদম্য দায়বদ্ধতাৰ স্বীকৃতি স্বৰূপে বিশিষ্ট ৰাজ্য সুৰক্ষা মন্ত্ৰী পদক প্ৰদান কৰা হয়। কেডেটসকলক ভাষণ দি মেজৰ জেনেৰেল গগান ডিপ, এছ এম-এ তেওঁলোকৰ নিষ্ঠা, স্থিতিস্থাপকতা, আৰু অসাধাৰণ প্ৰদৰ্শনৰ প্ৰশংসা কৰে। তেওঁ কয়, 'ৰিপাব্লিক ডে কেম্প এনচিচিৰ কেডেটৰ অধ্যৱসায়, অনুশাসন আৰু নেতৃত্বৰ গুণৰ প্ৰমাণ। আপোনাৰ কৃতিত্ব কেৱল ব্যক্তিগত মাইলৰ খুঁটি নহয়, ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস। এনচিচিৰ জৰিয়তে আপুনি লাভ কৰা মূল্যবোধ আৰু অভিজ্ঞতাই হ'ব।' জীৱনৰ সকলো ক্ষেত্ৰতে আপোনাক গাইড কৰক।' তেওঁ কেডেটসকলক নিজৰ আগত সেৱাৰ নীতি-নিয়ম বজাই ৰাখিবলৈ আৰু উৎসাহিত কৰি এই কথাত গুৰুত্ব আৰোপ কৰে যে এনচিচি কেৱল এটা সংগঠন নহয় বৰঞ্চ নেতৃত্ব, দায়বদ্ধতা আৰু দেশপ্ৰেমৰ জন্ম দিয়া জীৱনশৈলী। 'আপুনি ভৱিষ্যতলৈ খোজ দিয়াৰ লগে লগে আপুনি গ্ৰহণ কৰা প্ৰশিক্ষণ আৰু মূল্যবোধে আপোনাক কাইলৈৰ দায়িত্বশীল নাগৰিক আৰু নেতা হিচাপে গঢ়ি তুলিবলৈ দিয়ক।' অনুষ্ঠানৰ সামৰণি পৰে জ্যেষ্ঠ বিষয়া আৰু অধ্যাপকসকলৰ প্ৰশংসা আৰু উৎসাহৰ শব্দৰে, কেডেটসকলক গৌৰৱ আৰু দৃঢ়তাৰে যাত্ৰা অব্যাহত ৰাখিবলৈ প্ৰেৰণা যোগায়। এই অনুষ্ঠানটোৱে এনচিচিৰ কেডেটসকলৰ অটল মনোভাৱৰ প্ৰমাণ দিছিল, যিসকল অনুশাসন, নেতৃত্ব, আৰু জাতি সেৱাৰ প্ৰকৃত ৰাষ্ট্ৰদূত হৈয়ে আছে।

# শিৱসাগৰত জিলা আয়ুক্তৰ কাৰ্যালয়ত স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভা সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা আয়ুক্ত আয়ুস গাৰ্গৰ সভাপতিত্বত যোৱা ৩০ জানুৱাৰীত জিলা স্বাস্থ্য সমিতিৰ জিলা ভিত্তিক এক পৰ্যালোচনা সভা অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মেই সভাত উপস্থিত থকা সকলোকে সম্ভাষণ জনোৱাৰ লগতে সভাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰে। জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভাখনত স্বাস্থ্য বিভাগৰ প্ৰতিটো সুচাঙ্কৰ ওপৰত পৰ্যালোচনা কৰি কেইবাটাও গুৰুত্ব সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই পৰ্যালোচনা সভাত শিৱসাগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত স্বাস্থ্য বিভাগৰ শাখা বিষয়া বৰ্ণালী খাটিৱৰাকে ধৰি প্ৰতিটো আমব্ৰেলা প্ৰগ্ৰেমৰ ন'ডেল বিষয়া, জিলা প্ৰতিষেধক বিষয়া, জিলা যক্ষ্মা বিষয়া, ডিমৌ আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক, ডিমৌ সামূহিক স্বাস্থ্যকেন্দ্ৰৰ অধীক্ষক, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, আটাইকেইটা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া, জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনৰ লগতে ডি পি এম ইউ আৰু বি পি এম ইউৰ সদস্যসকল উপস্থিত থাকে।

# চতিয়া প্ৰেছ ক্লাৱৰ সম্পাদক উত্তম নাথক 'অসম' উপাধি প্ৰদান আহোম জাতীয় মহাসভাৰ



**চন্দন শৰ্মা, জামুগুৰিহাট ঃ** চতিয়াৰ মূলাগাভৰু মৈদাম ক্ষেত্ৰত আহোম জাতীয় মহাসভাৰ উদ্যোগত আৰু চতিয়াৰ কেইবাটাও সংগঠনৰ সহযোগত কেন্দ্ৰীয়ভাৱে মে দাম মেফী উদ্‌যাপন কৰা হয়। পূৱাৰ ভাগত ধৰ্মীয় ৰীতি নীতি সম্পন্ন কৰাৰ পিছত পুৰ্বাঞ্চলীয় টাই সাহিত্য সভাৰ চতিয়াৰ শাখাৰ সভাপতি আনন্দ সন্দিকৈৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। বিধায়ক পদ্ম হাজৰিকাই লাচিত বৰফুকন, বীৰাংগনা মূলাগাভৰুৰ দেশ প্ৰেমক স্মৰণ কৰি নতুন পুৰুষক কৰ্মমুখী প্ৰেৰণাৰে আগবাঢ়ি এখন সমৃদ্ধিশালী অসম গঢ়িবলৈ আহ্বান জনায়। সভাত উপস্থিত থকা বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে মে দাম মেফিৰ তাৎপৰ্য বৰ্ণনা কৰি মুলাগাভৰু মৈ দাম ক্ষেত্ৰৰ উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে। সভাত উদ্‌যাপন সমিতিৰ সভাপতি কৰুনান্দ হাতীবৰুৱাই সম্পাদনা কৰা 'ৰংচি' নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখনত মুলাগাভৰুৰ মৈদাম উদ্ধাৰৰ আতিগুৰি সবিস্তাৰে বৰ্ণনা কৰা হৈছে। সভাত আহোম জাতীয় মহাসভাৰ সভাপতি সুন্দৰ জ্যোতি লাহন, সম্পাদক অনন্ত গগৈ, উপ-সভাপতি নিৰ্মল লাহনকে প্ৰমুখ্য কৰি কেন্দ্ৰীয় কমিতিৰ সকলো বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাতে চতিয়া প্ৰেছ ক্লাৱৰ সম্পাদক তথা মে দাম মেফি উদ্‌যাপন কমিটিৰ সম্পাদক উত্তম নাথক আহোম জাতীয় মহাসভাই আনুষ্ঠানিকভাৱে 'অসম' উপাধি প্ৰদান কৰে। উত্তম নাথে চতিয়া ঐতিহাসিক সমল সুৰক্ষা সমিতিৰ সম্পাদকৰ দায়িত্ব লৈ বিগত সময়ছোৱাত চতিয়াৰ ঐতিহাসিক সমল সমূহ পুনৰ উদ্ধাৰৰ কামত মনোনিৱেশ কৰি আহিছিল। লগতে উদ্‌যাপন সমিতিৰ সম্পাদকৰ দায়িত্ব লৈ এমাহজোৰা প্ৰচেষ্টাৰ অন্তত অতি সুন্দৰভাৱে কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা মে দাম মেফি সম্পন্ন কৰিছিল। সম্পাদকজনৰ মূলাগাভৰু মৈদামৰ সংৰক্ষণত আগবঢ়োৱা অৱদান তথা উচৰ্গীকৃত মনোভাৱত অভিভুত হৈ আহোম জাতীয় মহাসভাৰ তৰফৰ পৰা সন্মানীয় 'অসম' উপাধিটো প্ৰদান কৰে জাতীয় মহাসভাৰ সম্পাদক অনন্ত গগৈয়ে। উপাধি প্ৰদান কৰি জাতীয় মহাসভাৰ তৰফৰ পৰা এখন হেংদান আৰু অংগবস্ত্ৰ প্ৰদান কৰা হয়। সভাখনত বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ ঙাটে, নদুৱাৰ ৰাজহ চক্ৰ বিষয়া ড° আকাশ দ্বীপ কাকতি, চতিয়া নাগৰিক সভাৰ সভাপতি ভৱ শইকীয়া, ৰাজ্যিক পশুধন নিগমৰ সহকাৰী অধ্যক্ষ পৰেশ বৰকাকতী, চতিয়া নাট্য সমাজৰ সভাপতি ড° দিলীপ কুমাৰ ভুএগ্ৰা, চতিয়াৰ পৌৰপতি দ্বিপশিখা সন্দিকৈকে প্ৰমুখ্য কৰি চতিয়াৰ সকলো দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

# লেখক ময়ূৰ কুমাৰ বৰালৈ 'প্ৰেৰণা' বটঁা নগাঁও জিলা সাহিত্য সভাৰ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** কবি, প্ৰবন্ধকাৰ, জীৱনীকাৰ ময়ূৰ কুমাৰ বৰালৈ নগাঁও জিলা সাহিত্য সভাই এইবাৰ ২০২৩-২৫ বৰ্ষৰ 'প্ৰেৰণা' বটঁা আগবঢ়ায়। নগাঁও জিলা সাহিত্য সভাৰ অষ্টবিংশতিতম কলিয়াবৰ পূৰ্ণাঙ্গ দ্বিবাৰ্ষিক অধিৱেশনত অলপতে লেখক ময়ূৰ কুমাৰ বৰাক এই বটঁা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ১৮৮৯ চনৰ পৰা ২০১৫ চনৰ ভিতৰত জীৱনপাত কৰি সাহিত্য-সংস্কৃতি, ক্ৰীড়া, অভিনয়, ৰাজনীতি, সমাজসেৱা প্ৰভৃতি বিভিন্ন ক্ষেত্ৰত সমগ্ৰ নগাঁও জিলাৰ লগতে ৰাজ্যখনলৈ বিশিষ্ট বৰঙণি আগবঢ়াই জনমানসত নিৰ্দিষ্ট আসন লাভ কৰিবলৈও সক্ষম হোৱা ২৬১ গৰাকী বৰেণ্য ব্যক্তিৰ জীৱন কাহিনী সন্নিবিষ্ট কৰি ৰচনা কৰা লেখক ময়ূৰ কুমাৰ বৰাৰ 'নগাঁও-বৰেণ্য-গ্ৰন্থখনিয়ে ইতিমধ্যে অসমৰ লেখক পাঠকৰ মাজত যথেষ্ট সমাদৰ লাভ কৰিছে। অসমৰ আগশাৰীৰ সাহিত্য আলোচনী 'গৰীয়সী'ত বিশেষভাৱে সমালোচনাৰ স্থান পোৱা 'নগাঁও-বৰেণ্য'- গ্ৰন্থখনি জীৱনী আৰু সমসাময়িক বুৰঞ্জীৰ এখনি প্ৰামানিক দলিল হিচাপে বিবেচিত হৈছে। মননশীল কবিতাৰে পাঠকৰ মাজত সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা লেখক ময়ূৰ কুমাৰ বৰাই বিভিন্ন গ্ৰন্থ সম্পাদনা আৰু শংকৰদেৱ -মাধৱদেৱ চৰ্চা সম্পৰ্কীয় অদ্যাপি অৰ্ধশতাধিক লেখনীৰে সাহিত্যৰ পথাৰত বিশেষ অৱদান আগবঢ়াইছে। নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষৰ বিশেষ 'পত্ৰিকা' সম্পাদনা কৰি লেখক সাহিত্যানুৰাগীৰ দ্বাৰা প্ৰশংসিত হোৱা ময়ূৰ কুমাৰ বৰাই অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ এগৰাকী কৰ্মচাৰী হিচাপে কৰ্মনিৰ্বাহ কৰাৰ সমান্তৰালভাৱে নিৰন্তৰ সাহিত্যসেৱাত ব্ৰতী হৈ আছে। নগাঁও জিলা সাহিত্য সভাৰ পৰা ময়ূৰ কুমাৰ বৰাৰ এই 'প্ৰেৰণা' বটঁা প্ৰাপ্তিৰ খবৰে তেওঁৰ আত্মীয় স্বজন, বন্ধু -বান্ধৱ, লেখনীৰ অনুৰাগী, জিলা শাখা তথা জ্যোতি শাখা সাহিত্য সভাৰ কৰ্মকৰ্তাই পৰম সন্তুষ্টি লাভ কৰে আৰু তেওঁক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

# শুৱালকুছিৰ আই-মাতৃ সমাৰোহ আৰু হাটীসত্ৰ সংস্কৃতি বটঁা প্ৰদান অনুষ্ঠানত ড° বাবুল চন্দ্ৰ দাস



**দিলীপ মেধি, শুৱালকুছি ঃ** নাৰীসকলক আধ্যাত্মিক দিশত আগবাঢ়ি যাবলৈ মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে সৰ্ব প্ৰথম প্ৰচেষ্টা হাতত লৈছিল। ইয়াৰ উদাহৰণ হ'ল টেম্পুৱানী জান সৃষ্টি কৰিছিল ৰাধিকা শান্তি নামৰ মহিলা এগৰাকীৰ জৰিয়তে। ইয়ে নাৰী শক্তিক ধৰ্মীয় দিশত আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাইছে। এই মন্তব্য বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ড° বাবুল চন্দ্ৰ দাসৰ। শুৱালকুছিৰ ঐতিহাসিক হাটীসত্ৰৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ কানু বুঢ়া ঠাকুৰৰ তিৰোভাৱ তিথি উপলক্ষে অনুষ্ঠিত হোৱা আই-মাতৃ সমাৰোহ আৰু শ্ৰীশ্ৰীহাটীসত্ৰ সংস্কৃতি বটঁা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি তেওঁ পুনৰ কয় যে গুৰুধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত শুৱালকুছি অসমৰ ভিতৰতে অনন্য স্থান দখল কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ সৰ্বপ্ৰথম জন্মোৎসৱ উদ্‌যাপনৰ বাটকটীয়া শুৱালকুছি হাটীসত্ৰ বুলি উল্লেখ কৰি কয় যে, শুৱালকুছিবাসীৰ হৃদয়ত ভক্তিৰস স্থাপন হৈছে। শুৱালকুছিত গুৰুদুজনাৰ অমৃত ভাণ্ডাৰ সৰ্বদিশতে বিয়পি আছে। দুয়োজনা গুৰুৰ আদৰ্শ এই অঞ্চলৰ ৰাইজে বজাই ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ আই-মাতৃ সকলেও নিত্যনৈমিত্তিক নাম প্ৰসংগৰ জৰিয়তে বৃহত্তৰ অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰাৰ লগতে নিজৰ নিজৰ পৰিয়াল সমূহতো দুয়োজনা গুৰুৰ আদৰ্শ বৰ্তাই ৰাখিছে। ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই শুৱালকুছিৰ যুৱ প্ৰজন্মক এদাল ৰচিৰে বান্ধি ৰাখি যি দৰে গুৰু ধৰ্ম প্ৰচাৰত আত্মনিয়োগ কৰিছে তেনে উদাহৰণ অসমত পোৱা নাযাব বুলিও সত্ৰাধিকাৰ গৰাকীয়ে দোহাৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজিৱ লোচন সন্তই অসমত অসমীয়াৰ নিজস্ব সাহিত্য, সংস্কৃতি, ধৰ্মগুৰু আছে বুলি উল্লেখ কয় যে মহাপুৰুষৰ জনাই অসমীয়াক আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মূৰদাঙি থিয় দিব পৰাকৈ সকলো দি গৈছে। কিন্তু আজিৰ নতুন প্ৰজন্মই এই কৃষ্টি-সংস্কৃতি, ধৰ্ম-সাহিত্য সমূহ যিদৰে আগবঢ়াই নিব লাগিছিল তেওঁলোকে নিব পৰা নাই বুলি তেওঁ আক্ষেপ কৰে। মাতৃসকলক ধৰিত্ৰী বুলি উল্লেখ কৰি তেওঁ কয় যে মাতৃ সকল হ'ল ঘৰখনৰ মূৰব্বী। মাতৃসকলেই গুৰু সংস্কৃতিৰে নিজৰ ঘৰখনত এক আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰি নিজৰ সন্তান সমূহক শিক্ষা-দিক্ষাৰ ক্ষেত্ৰখন আগবঢ়াই দিব লাগিব। নতুন প্ৰজন্মক শংকৰদেৱ আৰু মাধৱদেৱক মাতৃসকলে চিনাকী কৰি দিয়াৰ দায়িত্ব ল'ব লাগিব। সাধু বুদৰাম মাধৱ সত্ৰাধিকাৰ শুৱালকুছিৰ 'ৰত্ন' বুলি উল্লেখ কৰি তেওঁ কয় যে, মহাপুৰুষজনাৰ প্ৰথম জন্মউৎসৱ শুৱালকুছিত উদ্‌যাপন কৰি তেখেতৰ দূৰদৰ্শিতা প্ৰমাণ কৰাৰ লগতে গুৰুভক্তিত যে সত্ৰাধিকাৰ গৰাকী অটল আছিল তাৰো নিদৰ্শন দেখুৱাই থৈ গৈছে। তেওঁ আগন্তুক দিনবোৰত গুৰুজনাৰ আদৰ্শৰে যাতে সমাজ ৰক্ষা কৰে তাৰ বাবে মাতৃসকলক আহ্বান জনায়। অনুষ্ঠানত 'অসমীয়া জাতীয় জীৱনত গুৰুধৰ্ম- সংস্কৃতি' শীৰ্ষক আলোচনা সত্ৰ এখন পৰিচালনা কৰে বিশিষ্টা মহিলা অনিমা দাসে। আলোচনা-চক্ৰত আলোচক হিচাবে উপস্থিত থাকি অকণিৰ নামঘৰ, গুৱাহাটীৰ পৰিচালিকা আৰতি দাসে বিষয়বস্তুৰ ওপৰত এক সাৱলীল বক্তব্য আগবঢ়াই কয় যে যি মুখেৰে হৰিনাম লোৱা হয় সেই মুখৰে কেতিয়াও কাকো বেয়াকৈ কোৱাটো অনুচিত। তেওঁ প্ৰতিগৰাকী ব্যক্তিকে নিজৰ নিজৰ হৃদয়ত ঈশ্বৰ ভক্তি স্থাপন কৰিবলৈ আহ্বান জনায়। আলোচনা-সত্ৰত মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰি পুৰি প্ৰকল্পৰ সভানেত্ৰী কণিকা পাঠকে কয় যে বহু বিভক্ত সমাজখনক গুৰজনাই এক কৰি ৰাখিবলৈ সক্ষম হৈছিল। মহাপুৰুষ জনাই নামঘৰ- সত্ৰ স্থাপন কৰি উন্নত সমাজ ব্যৱস্থাৰ সৃষ্টি কৰিছিল। য'ত নাছিল অস্পৃশ্যতা, ভেদাভেদ আৰু অৰিয়াঅৰি। মহাপুৰুষ জনাই ভগৱান শ্ৰীকৃষ্ণক মধ্যমণি হিচাবে লৈ এক শৰণ হৰিনাম ধৰ্ম প্ৰতিষ্ঠা কৰিছিল। আমি প্ৰতিগৰাকী অসমীয়াই গুৰুজনাৰ আদৰ্শৰে বাট বুলিলে বৃহৎ অসমীয়া জাতি সদায় মূৰ দাঙি থিয় থাকিবলৈ সক্ষম হম। হাটীসত্ৰৰ আইসকল সকলে আৰম্ভণিতে এটি সুন্দৰ বৰগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। কিশোৰ দাস আৰু নয়নমণি দাসে আঁতধৰা অনুষ্ঠানটিত প্ৰথমবাৰৰ বাবে বাকসিদ্ধ সাধুপুৰুষ বুদৰাম মহন্ত সত্ৰাধিকাৰ ন্যাসৰ দ্বাৰা আগবঢ়োৱা শ্ৰীশ্ৰীহাটীসত্ৰ সংস্কৃতি বটঁা ২০২৫ প্ৰদান কৰা হয় বিশিষ্ট গীতিকাৰ, সুৰকাৰ, সু-লেখিকা, অৱসৰী অধ্যাপিকা ড° লক্ষ্যহীৰা দাসক। এই বটঁাত আছে এখন মানপত্ৰ, বানকাহীৰ বটঁা, কোমল গীতৰ ফলক, এৰি চাদৰ আৰু নগদ দহ হাজাৰ টকা। শাৰিৰীক অসুস্থতাৰ বাবে তেখেত উপস্থিত থাকিব নোৱাৰত তেওঁ পুত্ৰ অনিৰ্বাণ দাসে বটঁাটি মাতৃৰ হৈ গ্ৰহণ কৰে। সভাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে বৰপেটা সত্ৰ বুঢ়া সত্ৰাধিকাৰ ড° বাবুল চন্দ্ৰ দাসে।

# সম্প্ৰীতি সমন্বয় সহৃদয়ৰ দেশ অসম

■ দেৱেন শইকীয়া

মৰিকলং, নগাঁও

অসম আমাৰ ৰূপহী গুণৰো নাই শেষ, সুধাকণ্ঠই এনেকৈ গীত এনেয়ে লিখি থৈ যোৱা নাই। তেওঁ গোটেই অসমখনি দপদপাই ঘূৰি ফুৰি অসমৰ মানুহৰ হৃদয়খন কেনেকৈ বুজি উঠিছিল, চিনি পাইছিল, সেয়ে এনেবোৰ গীত কণ্ঠৰে, কলমেৰে ওলাই আহিছিল। আপুনিও বিচাৰিব জানিলে এনে মাধুৰ্য্য, মিঠা দৃশ্য পাবই পাব। তদনুৰূপ সূৰ্য দাসৰ 'শতজনমৰ পূণ্যৰ ফলত, জন্ম ল'লো' এই অসমত, "পাৰ্বতী প্ৰসাদৰ নোহোলা তোক সোণৰ অসম মাটিৰ অসম আই" অনিমা চৌধুৰীৰ জীৱনে মৰণে মই চিৰদিন অসমীয়া লগতে দিখৌ নৈ পাৰেৰে কহুঁৱাই বিনায় নাই আজি সেই দিন নাই আদি অসম বন্দনাৰ চিৰসেউজ গীতকেইটা আপুনি মনতে আওৰালেই আমাৰ জননী অসম যে সুষমা, নিৰুপমা সেইটো হৃদয়াংগম কৰিব পাৰিব। ইয়াৰ মানুহক ইয়াৰ প্ৰকৃতিক আপোনাৰ ক্ষয় ক্ষতি কৰিবলৈ মন নোযোৱা হ'ব। গুৰুজনাই লিখাৰ দৰে আপোনাৰো লিখিবলৈ মন যাব 'ধন্য জনম অসম বৰিষে।"

১৫ ডিচেম্বৰত নগাঁও সাংস্কৃতিক প্ৰকল্পত পাৰিজাত হৰণ ভাওনাখনি উপভোগ কৰি এইখিনি কথা মনলৈ আহিছে। আন অনুপম কথাবোৰলৈ নষ্টাও এটা কথাই আপোনাৰ হৃদয়খনিত মধুৰ আলোড়ন এটি হ'বই হ'ব। নাৰদৰ চৰিত্ৰ কোনে ৰূপায়ণ কৰিছে জানে? তমন্না শ্ৰবনমে, ইন্দ্ৰৰ ভাওত কোন জানে? মাহমুদ বেগম। তেওঁ পেছাত উকীল আৰু ইতিমধ্যে সত্ৰীয়া নৃত্যত বিশাৰদ ডিগ্ৰী লাভ কৰিছে। কেনে মধুৰ দৃশ্য। আপুনি আৰু আচৰিত হ'ব। এই শিক্ষাৰ্থীসকল সৰহখিনিয়েই ইংৰাজী মাধ্যমত পঢ়া যদিও ব্ৰজাৱলী ভাষা কওঁতে আপুনি একো খুঁত নাপায়।

এয়াই অসম, আমাৰ জননী, মাতৃভূমি। এই দৃশ্যই এই সম্প্ৰীতিয়ে আমাক চল্লিশ বছৰমানৰ আগৰ এটা দৃশ্যলৈ লৈ যায়। আমি তেতিয়া কৈশোৰ বয়সত। বিশ্বকৰ্মা পূজা বিলাকত নগাঁৱৰ চি এছ অফিচত দুদিনীয়াকৈ চিকিৎসকসকলে অংকীয়া ভাওনা পাতে। আমাৰ খুড়াদেউ সেই অফিচৰ বৰবাবু হোৱা সূত্ৰে এই খবৰবোৰ পাওঁ। চাবলৈও যোৱা হয়। তেতিয়াই গম পাইছিলো ডাঃ নুৰুল বগীয়েও ইয়াত ভাও লৈছিল। ডাঃ ৰাজেন জয়ছোৱালৰ কথাটো ক'বই নালাগে। এসময়ত দক্ষ যজ্ঞ ভাওনাত দক্ষ ৰজা আৰু জয়ছোৱাল নগাঁৱত অভিন্ন হৈ পৰিছিল।

এই নাট ভাওনাৰ যোগেদিয়েই বিদ্যালয়ৰ সৌজন্যত ঘনাই নাম শুনি থকা শংকৰী কৃষ্টিৰ দাবীক কেহোৰাম বৰাক স্বচক্ষে দেখিলোঁ। তেওঁ নামে কামে কেহোৰাম।

কিশলয় প্ৰাণ পাপুল বৰাই অতি ধৰোঁতে কোৱা এটি বাক্যও বৰ মধুময়। কিশলয়ৰ সদস্যসকলৰ পোৱা কিশলয়ৰে আৰম্ভ হয় আৰু বিচনালৈ নিশা যাওঁতে কিশলয়তে শেষ হয়। জয়তু কিশলয়।

**ম'বাইল ঃ** ৯৪৩৫২-০৯৮৮২

### সমাজসেৱক ড° পৰশমণি সিংহৰ ঐতিহাসিক মধুপুৰ সত্ৰ পৰিদৰ্শন

# প্ৰাক্তন সাংসদ প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহক স্মৰণ সত্ৰাধিকাৰ পিতাম্বৰ ভকতৰ



**চন্দন শৰ্মা, তেজপুৰ ঃ** প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহৰ জীৱন-পৰিক্ৰমাৰ মাজত সোমাই পৰিলে দেখা যায় তেখেতৰ বিশাল ব্যক্তিত্বৰ অন্তৰালত ক্লান্তিহীন পৰিশ্ৰম লুকাই আছে। ব্ৰিটিছ আমোলৰ সময়ত ধনুৰ্বিদ হিচাপে অসমলৈ আগমণ ঘটা তেখেতৰ উপৰিপুৰুষৰ নাড়ীত ধৰিয়েই নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে সংগ্ৰামী জীৱন গঢ়া ড° পূৰ্ণ নাৰায়ণ সিংহই সমুদ্ৰ-সম যি বিশাল ব্যক্তিত্ব গঢ়ি তুলিছিল, সেয়ে তেখেতৰ জীৱন-পৰিক্ৰমাত সোমাই পৰিলে আচৰিত হ'ব লাগে। সাহিত্য, সংস্কৃতি, ৰাজনীতি সকলোতে তেখেতৰ অবাধ বিচৰণ। যিহেতু তেখেতৰ আজোককাৰ পৰা আৰম্ভ কৰি অন্যান্য সকল পিছলৈ তেজপুৰৰ স্থায়ী বাসিন্দা হ'ল। প্ৰয়াত ড° সিংহই তেজপুৰৰ বাতাবৰণৰ লগত একাত্ম হৈ তেজপুৰৰ প্ৰতিটো সামাজিক সমস্যাৰ লগত সহমৰ্মিতা কৰি সমাধান-সূত্ৰত নিজকে কৰিবলৈ ধৰিলে। কলীয়াভোমোৰা সেতু তেখেতৰ আঁকোৰগোজ মনোভাবৰ বাবেই জনতা চৰকাৰে স্থাপন কৰিবলৈ বাধ্য হ'ল। চীনে ভাৰত আক্ৰমণ কৰাৰ সময়ত তেজপুৰত তেখেতে লোৱা ভূমিকাক তেজপুৰবাসীয়ে চিৰদিন চিৰকাল মনত ৰাখিব। মধুপুৰ সত্ৰ অসমীয়া জাতিৰ বিশেষকৈ বৈষ্ণৱ ধৰ্মাৱলম্বী লোকসকলৰ অন্যতম তীৰ্থভূমি। বৰ্তমান পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ মধুপুৰত অৱস্থিত এই স্থানত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে দেহ ত্যাগ কৰিছিল। ইয়াৰ উপৰিও ইয়াত আন বহুতো ভকতৰো সমাধি আছে। জীৱনৰ অন্তিম সময়চোৱা শঙ্কৰদেৱে ইয়াত থাকি ধৰ্ম চৰ্চা কৰাৰ লগতে বহুতো সাহিত্যিক আৰু সাংস্কৃতিক কৃত্তি ও ৰচনা কৰিছিল। এই মধুপুৰ সত্ৰক দহমুকুতৰ থান বুলিও কোৱা হয়। দহমুকুত মানে হ'ল শঙ্কৰদেৱৰ দহজন শিষ্যৰ ইয়াত থকা ভেটি। ইয়াৰ উপৰিও উষানগৰী তেজপুৰৰ বিশিষ্ট সমাজকৰ্মী তথা প্ৰাক্তন সাংসদ প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহই পশ্চিমবংগৰ কোচবিহাৰস্থিত মধুপুৰ সত্ৰত ১৯৮৭ চনত এখন এম্বেচাডৰ বাহন দান কৰে। প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহৰ সু-পুত্ৰ তথা সমাজসেৱক ড° পৰশমনি সিংহই ঐতিহাসিক মধুপুৰ সত্ৰ পৰিদৰ্শন কৰাত সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ ভকতে তেখেতৰ পিতৃৰ কথাবোৰ জানিবলৈ দিয়ে।

# নিজেই নিজক মূল্য দিবলৈ শিকক

■ **শৈলেন কুমাৰ,** মিৰ্জা

**আ**মি বৰ্তমান এখন প্ৰতিযোগিতামুখী সমাজত বাস কৰি আছোঁ । ইয়াতে আমি কেনেদৰে ইজনে আনজনৰ ওপৰত প্ৰভূত্ব স্থাপন কৰিব পাৰোঁ তাৰেই প্ৰয়াস কৰি থাকো, কিন্তু অনুতাপৰ বিষয় প্ৰতিযোগিতাবোৰ এতিয়া হিংসামুখী হ'ল। প্ৰতিযোগিতাৰ বিষয়বস্তুবোৰো সলনি হ'ল, বৰ্তমানৰ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বী সমূহ হ'ল ধন, জন, হিংসা, ঈৰ্ষা, কামুকতা, স্বাৰ্থপৰতা, ধন-সম্পত্তি, অহংকাৰ, আত্মগৌৰৱ, নিকৃষ্ট ৰাজনীতি, ঘৃণনীয় চক্ৰান্ত, মানসিক বিকাৰ, ৰূপসৌন্দৰ্য্য, ঐশ্বৰ্য, ঘৃণা, কুবুদ্ধি, কুচিন্তা, পৰচৰ্চা ইত্যাদি। চিন্তাশীল পৰিকল্পনাৰ বিপৰীতে ধ্বংসশীল মনোবৃত্তি, একতাৰ বিপৰীতে ভেদাভেদৰ ৰাজনীতি। আনহাতে নিস্বাৰ্থবাদী মানুহবোৰৰ মৰণ, জীয়াই জীয়াই জ্বলাই দিয়া হৈছে সেইবোৰ মানুহৰ চিন্তাশীল সুস্থ সমাজবাদী চিন্তাধাৰাক। ব্যক্তিকেন্দ্ৰিক চিন্তাচৰ্চাৰ পয়োভৰত উৎশৃংখল হৈ পৰিছে আজিৰ সমাজ ব্যৱস্থা। আমি দ্ৰুতগতিত ধ্বংসৰ পিনে গতি কৰি আছোঁ, পৃথিৱী প্ৰকৃতি ধ্বংস আৰু বিনাশ হোৱাৰ পথত, আমাৰ কিন্তু কাণসাৰ নাই। আমি নিজস্বতাত ব্যস্ত, ভুৱা এখন মুখা পিন্ধি, সভাই সমিতিয়ে গলত গামোচা পৰিধান কৰি, চলাই গৈছোঁ মিথ্যাচাৰী অপব্যাখ্যাৰে অপপ্ৰচাৰ চলোৱা কাৰ্যত ব্যস্ত। আমাক কোনে নিয়ন্ত্ৰণ কৰি আছে আমি নিজেই নেজানো। মিথ্যাচাৰ, ভ্ৰষ্টাচাৰ সকলোতে কেৱল অপপ্ৰচাৰ। আমি নিজক জয় কৰিব নোৱাৰোঁ তাৰ বাবে আনক হেয়জ্ঞান কৰোঁ। নিজক মূল্য দিব নেজানো যাৰ বাবে আনক বিশৃংখলতাৰ ফালে ঠেলি দিওঁ। আমি প্ৰত্যেকজনে বিফল ব্যক্তিত্বৰ অধিকাৰী, আমি জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতে আৱৰ্জনাময়ী পৰিত্যক্ত গেলনীয় অপদাৰ্থ, আমি নিজক সহায় কৰিব নোৱাৰোঁ যাৰ বাবে আনৰ সহায় বিচাৰি ফুৰোঁ। আপুনি নিজক মুল্য দিব শিকিলেহে কেতিয়াও পৰাজিত নহম।

**ম'বাইল ঃ ৭০০২৮-১৬১৪৬**

# নগাঁৱৰ পাথৰি চাৰিআলিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনত সৰস্বতী পূজা উদ্‌যাপন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে নগাঁও চহৰৰ গাতে লাগি থকা শংকৰদেৱ শিশু নিকেতনতো উলহ মালহেৰে সৰস্বতী পূজা ভাগ উদ্‌যাপন কৰা হয়। যিহেতু ১৯১৯ চনতে নিকেতনখন সৰস্বতী পূজাৰ দিনাখনেই প্ৰতিষ্ঠা কৰা হৈছিল সেয়ে পূজাৰ লগত সংগতি ৰাখি প্ৰথমে পতাকা উত্তোলন কৰা হয়। তাৰপিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু খেল-ধেমালি অনুষ্ঠিত কৰা হয়। তাৰোপৰি অলপতে নিকেতনখনত অনুষ্ঠিত হৈ যোৱা বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক উপহাৰ প্ৰদান কৰা হয়। নিকেতনখনৰ বিষয়ে পৰিচালনা সমিতিৰ হৈ সম্পাদক ধীনেৰ চক্ৰৱৰ্তীয় আৰু সভাপতিৰ দায়িত্বত থকা যোগেশ্বৰ শইকীয়াই জানিবলৈ দিয়া মতে মই সৰস্বতী পূজাৰ দিনা বহু আনন্দ উপভোগ কৰিছোঁ। কাৰন আমাৰ এই অঞ্চলৰ কেইজনমান জ্ঞান পিপাসুয়ে এই বিদ্যালয়খন প্ৰতিষ্ঠা কৰাত বহুখিনি অৰিহণা আগবঢ়াইছে মই সেইসকল লোকক শ্ৰদ্ধা নিবেদিছো বুলি কৈ নগাঁওবাসী ৰাইজক এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ্য যে স্থানীয় ৰাইজৰ উচ্ছাস উদ্দীপনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ বিদ্যা স্তৰৰ স্বাৰ্থত নিকেতনখনৰ সমূহ আচাৰ্য-আচাৰ্যা, কৰ্মচাৰীসকলৰ লগত প্ৰধান আৰ্চাযৰ দায়িত্বত থকা পবিত্ৰ বৰঠাকুৰে এনেকৈয়ে অনাগত দিনসমূহত উলহ মালহেৰে অনুষ্ঠান ভাগ অনুষ্ঠিত কৰি যাব বুলি নগাঁওবাসী ৰাইজলৈ এক বাৰ্তা প্ৰেৰণ কৰে।

# সৰবৰহী ধৰ্মপ্ৰাণা মহিলা পূৰবী দাসৰ মৃত্যু, বিভিন্ন জনৰ শোক



**গুৱাহাটী ঃ** গুৱাহাটী নন্দনপুৰ শ্ৰীৰামপথ নিবাসী সৰবৰহী ধৰ্মপ্ৰাণা মহিলা পূৰবী দাস (ডলি) যোৱা ৩১ জানুৱাৰী তাৰিখে বাৰ্ধক্যজনিত কাৰণত বয়সত মৃত্যুমুখত পৰে। ১৯৩৭ চনৰ ১ জুনত জন্মগ্ৰহণ কৰা পূৰবী দাস এগৰাকী অতি অমায়িক আৰু সহজ সৰল ব্যক্তি ৰূপে সকলোৰে মাজত পৰিচিত আছিল। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ লগতো জড়িত পূৰবী দাসে মৃত্যুৰ সময়ত পুত্ৰ বিশিষ্ট চিকিৎসক ডাঃ অনুপ কুমাৰ দাস, অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য অভিযন্তা স্বপন কুমাৰ দাস, জীয়ৰী ইন্দ্ৰানী শৰ্মা বৰদলৈ, দুগৰাকী বোৱাৰী বন্তি দাস, মমতা দাস, জোৱাঁই সুন্দৰ মোহন শৰ্মা বৰদলৈৰ লগতে নাতি নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অসম প্ৰাদেশিক মহিলা সমিতি, কামৰূপ জিলা মহিলা সমিতি আদিকে ধৰি অনেক সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

# জ্যেষ্ঠ কণ্ঠশিল্পী বীণা ভাগৱতীৰ বিয়োগত সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ শোক প্ৰকাশ



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** অসমীয়া সংগীত জগতৰ এগৰাকী বিশিষ্ট কণ্ঠশিল্পী বীণা ভাগৱতীয়ে সোমবাৰে ৮৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। ষাঠি দশকৰ সুকণ্ঠী গায়িকা বীণা ভাগৱতীৰ বিয়োগত জাতীয় সংগঠন সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। এক বিবৃত্তিৰ জৰিয়তে সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ক্ষীৰোদ কুমাৰ বৰদলৈ আৰু মুখ্য সম্পাদক অমৃত কুমাৰ শৰ্মায়ে চিৰসেউজ গায়িকাগৰাকীৰ বিয়োগত অতিশয় মৰ্মাহত হোৱা বুলি প্ৰকাশ কৰাৰ লগতে শিল্পীগৰাকীৰ শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে । উল্লেখ্য যে, 'উকুলী মুকুলী কুকুলিকে খেলা', 'নিৰ্মলা নদীৰ ঘাট' আদি ভালেসংখ্যক চিৰসেউজ গীত উপহাৰ দি অসমীয়া সংগীতক মহীয়ান কৰা ব্যতিক্ৰমী কণ্ঠৰ অনাতাঁৰ শিল্পীগৰাকীৰ অৱদান অসমৰ সমাজ জীৱনে সদায় মনত ৰাখিব বুলিও নেতাদ্বয়ে বিবৃতিটোত উল্লেখ কৰিছে।

# নগাঁৱৰ কম্পিউটাৰ চেণ্টাৰৰ সাফল্য



**বিশেষ সংবাদদাতা, নগাঁও ঃ** ভাৰত চৰকাৰৰ অনুমোদিত কম্পিউটাৰ কেন্দ্ৰ 'তথ্য প্ৰযুক্তি উন্নয়ন পৰিষদ' চমুকৈ আই টি ডি বিৰ উদ্যোগত কলকাতাত অলপতে অনুষ্ঠিত অনুষ্ঠানত নগাঁৱৰ কম্পিউটাৰ চেণ্টাৰে সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। এই অনুষ্ঠানত নগাঁৱৰ মাৰভেলাছ কম্পিউটাৰ চেণ্টাৰে উন্নত মানৰ প্ৰশিক্ষণ হিচাপে স্বীকৃতি লাভ কৰি সফলতা অৰ্জন কৰিছে। নগাঁও চহৰৰ ফৌজদাৰীপট্টিস্থ এই চেণ্টাৰৰ মুৰব্বী পমি বৰকটকীৰ লগতে সহকৰ্মীসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰি তিনিটাকৈ বঁটা লাভ কৰিবলৈ সক্ষম হয়। অনুষ্ঠানত এক্সচেলেন্স এণ্ড আৰু প্ৰমোচনেল বটা প্ৰদান কৰে জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গে। ৰাইজিং ষ্টাৰ বটা প্ৰদান কৰে ভাৰতৰ প্ৰখ্যাত অভিনেত্ৰী চুনালী চৌধুৰীয়ে। কম্পিউটাৰ চেণ্টাৰৰ এই সাফল্যত নগাঁওবাসী আনন্দিত হৈছে।




Janasanyog RO no 4269/24/7-Feb-25

# ঘোঁৰাবন্ধা নিম্ন বুনিয়াদী বিদ্যালয়ত 'পৰ্যবেক্ষণ কৰোঁ আঁহা' কাৰ্যসূচী ৰূপায়ণ



**দিলীপ মেধি, শুৱালকুছি ঃ** ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়ত শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ৰ উদ্যোগত 'পৰ্যবেক্ষণ কৰোঁ আঁহা' শীৰ্ষক এটি অভিনৱ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত ছাত্ৰ- ছাত্ৰীসকলে পৰিৱেশত দেখা বিভিন্ন প্ৰাণীৰ আচৰণ, খাদ্য অভ্যাস, চলন পুৰাণৰ প্ৰকৃতি সম্পৰ্কে সুন্দৰকৈ ব্যাখ্যা কৰে। পাছত উক্ত কাৰ্যসূচীত বক্তব্য দাঙি ধৰি বিশিষ্ট শিক্ষাবিদ তথা পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই যে প্ৰকৃতিৰ মাজত থকা বস্তু বা জীৱ জগতখন পৰ্যবেক্ষণৰ জৰিয়তে আমাৰ যথেষ্ট অভিজ্ঞতা হয়। এই কাম শিক্ষানুষ্ঠান সমূহে বিদ্যালয় পৰ্যায়তেই শিক্ষাৰ্থীসকলক কৰিবলৈ অনুপ্ৰাণিত কৰা উচিত। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সুবিবেচিত চিন্তাৰ বিকাশ ঘটে। জীৱন জগত সম্পৰ্কে ধাৰণা স্থায়ী হোৱাত সহায় কৰে। এই বিষয়ৰ অনুশীলনে ভৱিষ্যতে শিক্ষাৰ্থীসকলক বিজ্ঞানৰ জগতখনত বিচৰণ কৰিবলৈ অনুপ্ৰেৰণা যোগাব বুলিও তেখেতে আশা প্ৰকাশ কৰে। তেখেতে ছাত্ৰ- ছাত্ৰীসকলক লগত একোখনকৈ পৰ্যবেক্ষণ ডায়েৰী ৰাখিবলৈ পৰামৰ্শ দিয়ে। তাত পৰ্যবেক্ষণ কৰি পোৱা তথ্যবোৰ লিখি ৰাখিবলৈ শিক্ষাৰ্থীসকলক কয়। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰফুল্ল নাথ চহৰীয়া, কৃতী শিক্ষয়িত্ৰী নিভা ডেকা মহন্ত প্ৰমুখ্যে আন শিক্ষক-শিক্ষয়িত্ৰীসকলো উপস্থিত থাকে। পাছত তেওঁ ঘোঁৰাবান্ধাৰ বি. জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয়লৈও যায়। তাতো তেওঁ ছাত্ৰীসকলৰ লগত শৈক্ষিক আলাপ কৰে।

# শুৱালকুছি নাট্য মঞ্চৰ প্ৰযোজনাৰে 'আঁহতগুৰিৰ নতুন বাট'ৰ শুভ মহৰত




**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছিৰ অগ্ৰণী সাংস্কৃতিক সংগঠন শুৱালকুছি নাট্য মঞ্চৰ একাদশ প্ৰযোজনাৰে নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰৰ ৰচিত নাট 'আঁহতগুৰিৰ নতুন বাট'ৰ শুভ মহৰত অনুষ্ঠান ইশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। হিমাংশু দাসৰ পৰিচালনা, বিমল ভড়ালীৰ সংগীত পৰিচালনাৰে মঞ্চস্থ হ'বলগীয়া নাটকখনৰ সংগীত উপদেষ্টাৰ দায়িত্বত আছে ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত। সত্তৰ দশকত যেতিয়া অসমত প্ৰগতিশীলতাৰ জোৱাৰ আহিছিল, সেই পটভূমিত নাট্যকাৰে ৰচনা কৰা নাটকখনত এখন ৰক্ষণশীল সমাজৰ অপ্ৰয়োজনীয় বিধি-নিষেধৰ বিৰুদ্ধে গৈ এখন নতুন প্ৰগতিকামী নৱ-উন্মেষিত সমাজক আগুৱাই নিয়াৰ প্ৰত্যাহ্বান দেখা যায়। নাটকৰ পাণ্ডুলিপি অতি পুৰণি যদিও বিষয়বস্তুৰ প্ৰাসংগিকতাৰ প্ৰতি লক্ষ্য ৰাখি নাটকখন মঞ্চায়ণ কৰিব বিছাৰিছে বুলি শুৱালকুছি নাট্য মঞ্চৰ সম্পাদক উজ্বল ডেকাই জানিবলৈ দিছে। উল্লেখনীয় যে নাটকখনত এইবাৰ শুৱালকুছি নাট্য মঞ্চই বৃহত্তৰ শুৱালকুছিৰ নবীন নাট্যশিল্পীৰ উপৰিও জ্যেষ্ঠ প্ৰবীন নাট্যশিল্পীসকলক অগ্ৰাধিকাৰ দিছে। শুভ মহৰত অনুষ্ঠানৰ লগত সংগতি ৰাখি বিয়লি ৪ বজাত শুৱালকুছিৰ ঈশ্বৰ শ্ৰী শ্ৰী হাটীসত্ৰৰ প্ৰেক্ষাগৃহত শুৱালকুছি নাট্য মঞ্চৰ শিল্পীসকলৰ দ্বাৰা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰিছে। অনুষ্ঠানত কেবাগৰাকী ন-পুৰণি শিল্পীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ ৯৫ সংখ্যক বাৰ্ষিক অধিবেশনৰ সামৰণি

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিৰল উদ্ভাৱনী শক্তিৰ দ্বাৰা সমাজখনক একত্ৰিত কৰি সাম্যবাদৰ ধাৰণাৰে বিপ্লৱৰ সূচনা কৰিছিল ঃ ভবেন্দ্ৰ নাথ ডেকা, অধিবেশনত বিধায়ক ৰূপক শৰ্মাৰ অংশগ্ৰহণ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** 'অসমৰ সামাজিক ইতিহাসত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন আছিল মনিকাষ্ণন সংযোগ। শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনে সাহিত্য-সংস্কৃতিৰ মাগদৰ্শনত নতুন মাত্ৰা প্ৰদান কৰিছিল।'- এই মন্তব্য শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাৰ। নগাঁও জিলাৰ পাথৰি বড়াৰ পো শ্ৰী শ্ৰী মাধৱদেৱ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ ৯৫ সংখ্যক বাৰ্ষিক অধিবেশনৰ সামৰণি অনুষ্ঠানৰ যোৱা ২ ফেব্ৰুৱাৰীত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি পদাধিকাৰ ডেকাই লগতে কয় যে- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ১৯ বছৰ বয়সতে গুৰু হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁ সমাজ সংস্কাৰৰ জৰিয়তে জ্ঞানৰ আভা বিলোৱাৰ লগতে সমন্বয়েৰে বৃহৎ অসমীয়া সমাজ গঢ়ি তুলিছিল।' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱক অসমৰ প্ৰথম শিশু সাহিত্যিক হিচাপে আখ্যা দি তেওঁ কয় যে- 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিৰল উদ্ভাৱনী শক্তিৰ দ্বাৰা সমাজখনক একত্ৰিত কৰি সাম্যবাদৰ ধাৰণাৰে বিপ্লৱৰ সূচনা কৰিছিল। সেয়ে তেওঁক বৈপ্লৱিক গুৰু আখ্যা দিব পাৰি।' শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকাই সভাপতিত্ব কৰা সভাখনত অসমীয়া প্ৰতিদিন কাকতৰ সহযোগী সম্পাদক প্ৰকাশ মহন্তই কয় যে- 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰগতিশীল সমাজ গঢ়াৰ চেষ্টা কৰিছিল। গুৰুজনাই জাতিভেদ আৰু সংকীৰ্ণতাৰ বেহু ভাঙি এখন উদাৰ তথা গোড়ামিমুক্ত সমাজ গঢ়িব বিচাৰিছিল। গুৰুজনা ৰাজধৰ্মত নহয়, প্ৰজা ধৰ্মতহে বিশ্বাসী আছিল।' জ্যেষ্ঠ সাংবাদিকজনে আক্ষেপ কৰি কয় যে- 'অসমৰ বিভিন্ন স্থানত সুন্দৰ সুন্দৰ নামঘৰ হৈছে। কিন্তু সেই নামঘৰৰ বহুততে ডবা নবজা হৈছে। সন্ধ্যাৰ চাকিগছ নজ্বলা হৈছে। দৈনন্দিন জীৱনত ঘোষা পাঠৰ ভাবনা নোহোৱা হৈছে। আমি নামঘৰলৈ সজীৱতা ঘূৰাই আনিব লাগিব।' তেওঁ লগতে বিজ্ঞান বহুদূৰ আগুৱাৰ বিপৰীতে আমাৰ সমাজখন পিছুৱাই গৈছে বুলি মন্তব্য কৰি কয় যে-'শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিবেশনত লক্ষ লক্ষ জনতা সমৱেত হয়। কিন্তু ইয়াৰ বিপৰীতে অসমৰ বিভিন্ন অঞ্চলত উশৃংখলতা বৃদ্ধি আন এক উদ্বেগৰ কাৰণ হৈ পৰিছে।' তেওঁ লগতে কয় যে- পিতৃ-মাতৃয়েই হৈছে সবাতোকৈ ডাঙৰ গুৰু। পিতৃ-মাতৃ যদি আধ্যাত্মিক পথৰে অগ্ৰসৰ হয় তেন্তে সন্তানেও সেইন পথৰে অগ্ৰসৰ হ'ব।' দৰ্শনা দেৱীৰ বৰগীতৰে শুভাৰম্ভ হোৱা সভাখন উদ্বোধন কৰে নগাঁও জিলা শাখাৰ সম্পাদক বিপুল শইকীয়াই। সভাখনৰ আঁত ধৰে আদৰণি সমিতিৰ সম্পাদক ৰঞ্জিত শইকীয়াই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষনত লেখক দুলাল বৰাই গুৰুজনাৰ কৰ্মৰাজিক বিশ্বজনীন কৰি তোলাৰ পোষকতা কৰে। সভাত ধ্ৰুৱকুমাৰ বৰাৰ দ্বাৰা সম্পাদিত স্মৃতিগ্ৰন্থ 'প্ৰাণবান্ধৱ' উন্মোচন কৰে ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰাই। উক্ত অনুষ্ঠানতে অধ্যাপক দীপক কুমাৰ বৰাৰ 'গীতা কথা' আৰু তিলেশ্বৰ বৰাৰ 'দিনক দিনে গৃহবন্দী' নামৰ গ্ৰন্থ দুখন উন্মোচন কৰা হয়। সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, মূলৰ সদস্য তোষেশ্বৰ বৰা, নলিনী বৰা, জ্যোতিপ্ৰসাদ ভূঞা, কলিয়াবৰ জিলাৰ সভাপতি অনন্ত বৰা, বিমান বৰা, তৰুণ ডেকা, জয়ৰাম পাটৰ, উমাকান্ত হাজৰিকা, হৰেন্দ্ৰ বৰা, ভূপেন নাথ, নগাঁও মহাবিদ্যালয় অধ্যাপক দীপক কুমাৰ বৰা, শিক্ষাবিদ ৰাণা প্ৰকাশ বৰা, মিহিৰাম ভূঞা, গোবিন দাস, শংকৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষা বন্তি বৰদলৈ, সোনপা শইকীয়া, মৃনাল ভাগৱতী, সমাজসেৱিকা মামনি বৰা আদি উপস্থিত থাকে। অধিবেশনত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই উপস্থিত হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলাৰ বিষয়-ববীয়াসকলৰ লগতে উদ্যোক্তা সমিতিৰ বিষয়ববীয়াসকল আৰু বাপ-বান্ধব, স্থানীয় ৰাইজৰ সৈতে মত-বিনিময় কৰে। ইফালে সেইদিনা পুৱা প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণৰ পিছত ধৰ্মধ্বজা উত্তোলন কৰে নৱনিৰ্বাচিত সভাপতি চেনাৰাম ডেকাই। ইয়াৰ পিছত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ট্ৰাষ্ট সমিতিৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰাই। উল্লেখযোগ্য যে বিশাল সাংস্কৃতিক শোভাযাত্ৰাত ভাগৱতৰ লগতে গুৰুজনাৰ অনবদ্য কৃষ্টি-সংস্কৃতি সমূহ যেনে কালিয় দমন, নিমিশা অৰণ্য, গায়ন বায়নৰ দল, দিহা নাম, থিয় নাম আদি উদ্ভাসিত হয়। ভাগৱত শোভাযাত্ৰাৰ পিচতে নাম প্ৰসংগ হয়। নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# বংশৰত অনন্ত কুমাৰ দাসৰ 'আলসুৱা অনুভৱ' কাব্য গ্ৰন্থ উন্মোচন




**দিলীপ মেধি, শুৱালকুছি ঃ** কামৰূপ জিলাৰ বংশৰ ভৃঙ্গেশ্বৰ হাইস্কুলৰ প্ৰেক্ষাগৃহত যাত্ৰা গ্ৰাম্য পুথি ভড়ালৰ উদ্যোগত বৃহত্তৰ বংশৰ অঞ্চলৰ জ্যেষ্ঠ নাগৰিক অনন্ত কুমাৰ দাসৰ কবিতা সংকলন 'আলসুৱা অনুভৱ' কবিতা পুথিখন উন্মোচন কৰে সুলেখক ড° ধনেশ্বৰ বৰুৱা। সভাৰ সঞ্চালক হিচাবে উপস্থিত থাকে দুধনৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° হৰমোন দাস, নিৰ্দিষ্ট বক্তাৰ আসন শুৱনী কৰে শুৱালকুছি মহাবিদ্যালয়ৰ অধ্যাপক ড° অতুল চন্দ্ৰ দাসে। গুৱাহাটীৰ বিশিষ্ট কবি বিৰজা দেৱী আৰু শুৱালকুছিৰ বিশিষ্ট লেখক বিকাশ কলিতা প্ৰমুখ্যে কেবা গৰাকী বিশিষ্ট ব্যক্তিৰ বক্তব্য ও মন্তব্যই সভাখন অতি গাম্ভীৰ্য পূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানটিৰ আঁত ধৰে বংশৰৰ বিশিষ্ট নাগৰিক, শিক্ষাবিদ সনাতন বৈশ্যই। অধ্যাপক অতুল চন্দ্ৰ দাসে কাব্য সংকলনটিৰ ওপত সাৱলীল মন্তব্য ৰাখে আৰু পঢুৱৈ সমাজে আঁকোৱালি লব বুলি আশা ৰাখে। স্কুলৰ অধ্যক্ষ ভগৱান বৈশ্যই কাব্য পুথিখনৰ ওপৰত সুন্দৰ আলোকপাত কৰে। উন্মোচনী অনুষ্ঠানত কবি অনন্ত কুমাৰ দাসে তেওঁৰ বক্তব্যত কবিতা পুথিখন কলেজীয়া জীৱনত জন্ম হোৱা বহু কবিতা কাব্য গ্ৰন্থখনত স্থান পোৱা আৰু জীৱন বিভিন্ন ঘাট-প্ৰতিঘাটৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বৰ্হি প্ৰকাশে কবিতাবোৰ উপজীব্য সমল বুলি ব্যক্ত কৰে। শেষত অসমৰ বিশিষ্ট গোপালিকা তেওঁৰেই সহধৰ্মিণী, বিশিষ্ট মহিলা দময়ন্তী দাসে শলাগৰ শৰাই আগবঢ়ায়। শেষত অসম সঙ্গীতেৰে গ্ৰন্থ উন্মোচনী সভাৰ সফল সমাপ্তি ঘটে।

# অনুতাপ

■ **অংশুমান ভূঞা,** চামতা, নলবাৰী

এদিন দুদিন নহয়, প্ৰায় সদায়েই একে দৃশ্য। ধৈৰ্য্যৰ বান্ধ ছিগিল। 'ৰাতি ৰাতি ম'বাইলত গেম খেলি এতিয়া টোপনিয়াই থাকিবি' বুলি পিঠিত দুটা চাপৰো পৰিল।

ৰবিবাৰে হ'ম ভিজিটলৈ বুলি ওলাই পুৱাতেই তাৰ ঘৰ পালোঁগৈ। মাকে সাৰ পোৱাৰ আগতেই হেনো সি ওলাই গৈছে।

চোতালে-পদূলিয়ে শুকাবলৈ দিয়া ৰবৰৰ শ্বিটবোৰ দেখিবলৈ পালোঁ।

দিনটো ঘূৰাৰ কষ্টৰ পাছতো দুচকুত টোপনি নাই। তাৰ মুখখনে বাৰে বাৰে আমনি কৰি থাকিল।

**ম'বাইল ঃ** ৬০০২৯-৯৪৯৮০

# ২০২৫-২০২৬ বিত্তীয় বৰ্ষৰ বাজেটত সাধাৰণ আয়কৰৰ বিভিন্ন স্তৰ, কৰ ৰেহাই আৰু মধ্যবিত্তৰ বাবে কিছু সকাহ

## ২০২৪-২০২৫ বিত্তীয় বৰ্ষৰ আয়কৰৰ হিচাপত এক তুলনামূলক বিশ্লেষণ

■ ড° দিলোৱাৰ হক
সহযোগী অধ্যাপক আৰু বিভাগীয় মূৰব্বী,
অৰ্থনীতি বিভাগ , ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়




আগন্তুক ২০২৫-২০২৬ বিত্তীয় বৰ্ষৰ বাজেটত ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ বাবে অতি প্ৰয়োজনীয় আয়কৰৰ ৰেহাইৰ ক্ষেত্ৰত কিছু ইতিবাচক চিন্তা আৰু ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থা কাৰ্যকৰী হোৱাৰ লগে লগে আয়কৰ ৰেহাইৰ সুবিধাৰ ক্ষেত্ৰত বৰ্তমানৰ ৭ লাখ টকাৰ পৰা ১২ লাখ টকালৈকে বৃদ্ধি হ'ল। ইয়াৰোপৰি বৰ্তমানৰ বিশেষ কৰ্তন বা ৰেহাইৰ পৰিমাণো (Standard Deduction) ৫০,০০০ টকাৰ পৰা ৭৫,০০০ টকালৈকে বৃদ্ধি কৰা হৈছে। ফলত বৰ্তমানৰ ৭,৫০,০০০ টকাৰ ক্ষেত্ৰত শূন্য কৰৰ অৱস্থাটো অহা বিত্তীয় বৰ্ষত ১২,৭৫,০০০ টকালৈকে বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত নিশ্চয়কৈ মধ্যবিত্ত শ্ৰেণীৰ লোকৰ বাবে কিছু ভাল খবৰ কাৰণ এই কৰ ৰেহাইৰ ব্যৱস্থাই তেওঁলোকৰ ব্যয়যোগ্য বা ব্যৱহাৰযোগ্য আয় বৃদ্ধি কৰিব আৰু ই তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি কৰিব।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে পূৰ্বৰ নতুন কৰ ব্যৱস্থাত মৌলিক আয় ৰেহাইৰ সীমা ৭ লাখ টকাৰ পৰা আগন্তুক বিত্তীয় বৰ্ষৰ প্ৰস্তাৱিত কৰ ব্যৱস্থাত ১২ লাখ টকালৈ বৃদ্ধি কৰে। প্ৰস্তাৱিত নতুন আয়কৰ ব্যৱস্থাৰ অধীনত নতুন কৰ স্লেবসমূহ বা সত্ৰসমূহ হ'লঃ

| আয়কৰ স্লেব (টকাত) | আয়কৰৰ হাৰ (%) |
|---|---|
| শূন্যৰ পৰা ৪,০০,০০০ টকালৈ | কৰ মুক্ত, অৰ্থাৎ কৰ আৰোপ কৰা হোৱা নাই |
| ৪,০০,০০১ টকাৰ পৰা ৮,০০,০০০ টকা | ৫% |
| ৮,০০,০০০১ টকাৰ পৰা ১২,০০,০০০ টকা | ১০% |
| ১২,০০,০০১ টকাৰ পৰা ১৬ লাখ টকা | ১৫% |
| ১৬,০০,০০১ টকাৰ পৰা ২০ লাখ টকা | ২০% |
| ২০,০০,০০১ টকাৰ পৰা ২৪ লাখ টকা | ২৫% |
| ২৪ লাখৰ ওপৰত | ৩০% |

আগন্তুক ২০২৫-২০২৬ বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তাৱিত আয়কৰ ব্যৱস্থাপনাৰ অধীনত ৪ লাখ টকালৈকে বছৰেকীয়া আয়ৰ বাবে কোনো কৰ আৰোপ কৰা হোৱা নাই। ৪ লাখ টকাৰ পৰা ৮ লাখ টকালৈ বছৰেকীয়া আয়ৰ ওপৰত ৫% কৰ আৰোপ কৰা হৈছে। ৮ লাখ টকাৰ পৰা ১২ লাখ টকালৈ বছৰেকীয়া আয়ৰ ওপৰত ১০% কৰ আৰোপ কৰা হৈছে। ১২ লাখ টকাৰ পৰা ১৬ লাখ টকালৈ বছৰেকীয়া আয়ৰ ওপৰত ১৫% কৰ আৰোপ কৰা হৈছে। ১৬ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বছৰেকীয়া আয়ৰ ওপৰত ২০% কৰ আৰোপ কৰা হৈছে। ২০ লাখ টকাৰ পৰা ২৪ লাখ টকালৈ বছৰেকীয়া আয়ৰ ওপৰত ২৫% কৰ আৰোপ কৰা হৈছে। ২৪ লাখ টকাতকৈ ওপৰৰ বছৰেকীয়া আয়ৰ ওপৰত ৩০% কৰ ধাৰ্য্য কৰা হৈছে।

কিন্তু কোনো এজন ব্যক্তিৰ বছৰেকীয়া সাধাৰণ আয় ১২.৭৫ লাখ টকালৈকে কৰমুক্ত হ'ব। কিন্তু কিদৰে তেওঁৰ কৰ শূন্য হ'ব? নিশ্চয়কৈ জানিবলৈ মন গৈছে, নহয় জানো? তেন্তে জানো আহক।

ধৰি লোৱা হ'ল কোনো এজন চাকৰিয়াল ব্যক্তিৰ বছৰেকীয়া সাধাৰণ আয় ১২,৭৫,০০০ টকা। গতিকে আয়কৰৰ স্তৰ মতে তেওঁৰ কৰৰ পৰিমাণ হ'ব ঃ প্ৰথম ৪ লাখ টকাৰ বাবদ কৰৰ পৰিমাণ হ'ব ০ টকা। ইয়াৰ পিছত ৪ লাখ টকাৰ পৰা ৮ লাখ টকা আয়ৰ বাবদ কৰৰ পৰিমাণ হ'ব ২০,০০০ (=৫%×৪,০০,০০০) টকা। ইয়াৰ পিছত ৮ লাখ টকাৰ পৰা ১২ লাখ টকা আয়ৰ বাবদ কৰৰ পৰিমাণ হ'ব ৪০,০০০ (=১০%×৪,০০,০০০) টকা। ইয়াৰোপৰি ১২ লাখ টকাৰ পৰা ১২,৭৫,০০০ টকা আয়ৰ বাবদ কৰৰ পৰিমাণ হ'ব ১১,২৫০(=১৫%×৭৫,০০০) টকা। অৰ্থাৎ ১২,৭৫,০০০ টকা আয় উপাৰ্জনকাৰীৰ কৰৰ পৰিমাণ হ'ব ৭১,২৫০ টকা।

**কিন্তু তেওঁ কৰ পৰিশোধ কৰিব নালাগিব। কিয় আৰু কিদৰে? হিচাপটো চাওঁ আহক, এনেদৰে ঃ**

প্ৰথম ৪ লাখ টকালৈ কৰ মুক্ত। গতিকে ১২,৭৫,০০০ টকাৰ পৰা ৪,০০,০০০ টকা বাদ দিয়াৰ পিছত বাকী থাকিল ৮,৭৫,০০০ টকা। ৪ লাখৰ পৰা ৮ লাখ টকালৈ ৫% কৰৰ হাৰত কৰৰ পৰিমাণ হ'ব ২০,০০০ টকা। ৮ লাখ টকাৰ পৰা ১২ লাখ টকালৈ ১০% সুতৰ হাৰত কৰৰ পৰিমাণ হ'ব ৪০,০০০ টকা। গতিকে ৪ লাখ টকাৰ পৰা ১২ লাখ টকালৈকে মুঠ কৰযোগ্য আয় ৮ লাখ টকাৰ বাবদ মুঠ কৰৰ পৰিমাণ হ'ল ২০,০০০ + ৪০,০০০ = ৬০,০০০ টকা। আয়কৰৰ হিচাপৰ ৮৭ক (87A) সুবিধা অনুসৰি যদিহে আয়কৰ ৬০,০০০ টকাৰ ওপৰত নহয়, তেতিয়া সমগ্ৰ ৬০,০০০ টকাৰ কৰ ৰেহাই পাব। এই কৰ ৰেহাইৰ ফলত তেওঁৰ আয়কৰ ১২ লাখ টকালৈকে শূন্য হ'ব। বাকী থকা ৭৫,০০০ টকা বিশেষ কৰ্তন বা ৰেহাইৰ (Standard Deduction) অধীনত কৰ আদায়ৰ পৰা ৰেহাই পাব। এইদৰে কোনো এজন ব্যক্তিৰ অহা বিত্তীয় বৰ্ষত ১২.৭৫ লাখ টকালৈকে কৰৰ পৰিমাণ শূন্য হ'ব। কিন্তু আয় ১২.৭৫ লাখ টকাৰ ওপৰৰ হ'লেই আয়কৰৰ স্তৰৰ কৰ হাৰৰ হিচাপত কৰ পৰিশোধ কৰিব লাগিব।

অহা বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তাৱিত আয়কৰ ব্যৱস্থাপনাৰ তুলনাত চলিত বিত্তীয় বৰ্ষৰ আয়কৰৰ ব্যৱস্থাপনাৰ অধীনত আয়কৰৰ স্তৰ আৰু হাৰ তলত উল্লেখ কৰা হ'ল ঃ

চলিত বিত্তীয় বৰ্ষৰ আয়কৰৰ ব্যৱস্থাপনাৰ অধীনত ৭ লাখ টকালৈকে কৰ শূন্য আৰু ৫০,০০০ টকা বিশেষ কৰ্তন বা ৰেহাইৰ (Standard Deduction) সুবিধা আছে। ফলত মুঠ আয় যদিহে ৭,৫০,০০০ টকা হয়, তেতিয়াহ'লে তেওঁ আয়কৰৰ হিচাপত কোনো আয়কৰ পৰিশোধ কৰিব নালাগিব। কিদৰে ৭.৫০ লাখলৈকে আয়কৰৰ হিচাপত কৰ শূন্য হ'ব তাৰ হিচাপ আৰু বৰ্ণনা তলত উদাহৰণৰ সহায়ত আগবঢ়োৱা হৈছে।

| আয়কৰ স্লেব (টকাত) | আয়কৰৰ হাৰ (%) |
|---|---|
| শূন্যৰ পৰা ৩,০০,০০০ টকালৈ | কৰ মুক্ত, অৰ্থাৎ কৰ আৰোপ কৰা হোৱা নাই |
| ৩,০০,০০১ টকাৰ পৰা ৭,০০,০০০ টকা | ৫% |
| ৭,০০,০০০১ টকাৰ পৰা ১০,০০,০০০ টকা | ১০% |
| ১০,০০,০০১ টকাৰ পৰা ১২ লাখ টকা | ১৫% |
| ১২,০০,০০১ টকাৰ পৰা ১৫ লাখ টকা | ২০% |
| ১৫ লাখৰ ওপৰত | ৩০% |

ধৰি লোৱা হ'ল কোনো এজন চাকৰিয়াল ব্যক্তিৰ বছৰেকীয়া সাধাৰণ আয় ৭,৫০,০০০ টকা। গতিকে আয়কৰৰ স্তৰ মতে তেওঁৰ কৰৰ পৰিমাণ হ'ব ঃ প্ৰথম ৩ লাখ টকাৰ বাবদ কৰৰ পৰিমাণ হ'ব ০ টকা। ইয়াৰ পিছত ৩ লাখ টকাৰ পৰা ৭ লাখ টকা আয়ৰ বাবদ কৰৰ পৰিমাণ হ'ব ২০,০০০ (=৫%×৪,০০,০০০) টকা। যদিহে আয়কৰ ২৫,০০০ টকাৰ সমান বা তাতোকৈও কম হয়, চলিত আয়কৰৰ ব্যৱস্থাপনাৰ হিচাপত ৮৭ক (87A) ৰ অধীনত ২৫,০০০ টকা কৰ ৰেহাই পাব। যিহেতু ৩ লাখ টকাৰ পৰা ৭ লাখ টকালৈকে আয়কৰৰ পৰিমাণ ২০,০০০ টকা হয়, সেইবাবেই 87A ৰ অধীনত এই কৰৰ পৰিমাণ সম্পূৰ্ণ ৰেহাই পাব। অৰ্থাৎ ৭ লাখ টকালৈকে কৰ শূন্য হ'ব। বাকী থকা ৫০,০০০ টকা বিশেষ কৰ্তন বা ৰেহাই (Standard Deduction)ৰ অধীনত আয়কৰৰ হিচাপৰ পৰা বাদ দিয়া হ'ব। এইদৰেই কোনো এজন আয়কৰ দাতাই যদিহে তেওঁৰ আয় ৭.৫০ লাখ বা কম হয়, চলিত আয়কৰৰ হিচাপত তেওঁৰ কৰৰ পৰিমাণ শূন্য হ'ব। অৰ্থাৎ ৭.৫০ লাখ বা তাতকৈ কম আয়ৰ ব্যক্তিয়ে কৰ পৰিশোধ কৰিব নালাগিব।

গতিকে তুলনামূলক বিশ্লেষণ আৰু আলোচনাৰ পৰা দেখা গ'ল যে চলিত ২০২৪-২০২৫ বিত্তীয় বৰ্ষৰ আয়কৰৰ হিচাপৰ তুলনাত আগন্তুক ২০২৫-২০২৬ বিত্তীয় বৰ্ষৰ আয়কৰৰ হিচাপত মধ্যবিত্ত শ্ৰেণীৰ কৰদাতাসকলে প্ৰস্তাৱিত কৰ ৰেহাইৰ ব্যৱস্থাৰ ফলত কিছু পৰিমাণে হ'লেও আয়কৰৰ পৰা সকাহ পাব আৰু লাভবান হ'ব।

**ম'বাইল ঃ** ৭০০২৮-৪২৮৮৪, ৯৯৫৪৩-৩৬৮৮৩

# প্ৰেমৰ দিৱস ঃ ভেলেণ্টাইন ডে

■ নাচিমা য়াচমিন
বিশ্বনাথ চাৰিআলি

ভেলেণ্টাইন ডে অৰ্থাৎ প্ৰেমৰ দিৱস, বছৰৰ ফেব্ৰুৱাৰী মাহৰ চৈধ্য তাৰিখে সমগ্য দেশতে প্ৰেমিক প্ৰেমিকাৰ মাজত পালন কৰা হয়। সাত দিনীয়া বিভিন্ন কাৰ্যসূচীৰে এই প্ৰেমৰ উৎসৱ পালন কৰা হয়। তাৰে ভিতৰত ক্ৰমে ৰ'জ ডে, প্ৰস্তাৱ দিৱস, চকলেট দিৱস, তেডি দিৱস, প্ৰতিশ্ৰুতি দিৱস, আলিংগন দিৱস, আৰু চুম্বন দিৱস।

এই প্ৰেমৰ দিৱস, ভেলেণ্টাইন ডেৰ ইতিহাস অধ্যয়ন কৰিলে জনা যায় যে, এসময়ৰ ৰোমৰ ৰজা ক্লাউডিয়াছে প্ৰেমৰ বিৰোধিতা কৰিছিল। প্ৰেম বিবাহ তেওঁৰ ৰাজ্যত একেবাৰেই বন্ধ আছিল। খ্ৰীষ্টাব্দ ২৭০ ত ৰোমত এজন চেইন্ট ভেলেণ্টাইন নামৰ এজন সাধুলোকে ৰজাৰ বিৰোধিতা কৰি মুকলি মনে প্ৰেমৰ প্ৰচাৰ চলাইছিল আৰু বহু প্ৰেম বিবাহ সম্পন্ন কৰাইছিল।

যাৰ শাস্তি স্বৰূপে তেখেতক মৃত্যুদণ্ড প্ৰদান কৰা হৈছিল। সেই দিনটো আছিল ফেব্ৰুৱাৰী মাহৰ চৈধ্য তাৰিখ।

তেতিয়াৰে পৰা ৰোমত ১৪ ফেব্ৰুৱাৰী তাৰিখত ভেলেন্টাইন ডে' হিচাপে পালন কৰি আহিছে।

ভেলেণ্টাইনে প্ৰেমৰ প্ৰচাৰৰ বাবে নিজৰ জীৱন ত্যাগ কৰিব লগা হৈছিল বুলিয়েই তেখেতৰ স্মৃতিত এই দিৱস পালন কৰা বুলি কোৱা হয়।

তাহানিৰে পৰা প্ৰেমিকযুগল সকলে এই প্ৰেমৰ সপ্তাহটিলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে।

বহুতে এই দিনত নিজৰ মনৰ গভীৰত থকা গুপ্ত অনুভূতি সমূহ প্ৰকাশ কৰিবলৈ সাহস কৰি প্ৰেম নিবেদন কৰে।

প্ৰেমিক-প্ৰেমিকাসকলে প্ৰেমৰ দিনটো চিৰস্মৰণীয় কৰি তুলিবলৈ বিভিন্ন প্ৰকাৰে উদ্‌যাপন কৰে। ফাগুনৰ আঁচল ধৰি এই প্ৰেমৰ উৎসৱে ল'ৰা-ছোৱালীৰ মনত যৌৱন উতলা কৰে। ফাগুনৰ পছোৱা জাকে সকলোৰে মনত প্ৰেমৰ জোৱাৰ তুলি যায়। প্ৰেম জীৱনৰ চালিকা শক্তি। হৃদয়ৰ গোপন অনুভূতিৰ ফল। প্ৰেমে কেতিয়াবা আনি দিয়ে প্ৰাপ্তিৰ বতৰা, কেতিয়াবা আনি দিয়ে দুখৰ গধুৰ বোজা। কেতিয়াবা আনি দিয়ে পূৰ্ণতা, আন কেতিয়াবা শূণ্যতা। সকলো ভাল বেয়াৰ মাজতো প্ৰেমৰ দিৱস সকলোৱেই পালন কৰি আহিছে।

কিন্তু বৰ্তমান সময়ত এই সুন্দৰ দিনটো কলংকিত কৰিবলৈ যুৱ প্ৰজন্মই উঠি পৰি লাগিছে। এই দিৱসৰ প্ৰকৃত মহত্ব পাহৰি পেলাইছে। কেৱলমাত্ৰ কামনা বাসনাৰ ঘ্ৰাণত এই পৱিত্ৰ প্ৰেমৰ দিৱস ডুব গৈছে।

ভেলেণ্টাইন ডে' আহি আছে বুলি কিছুমান ল'ৰা-ছোৱালীবোৰে নিজৰ নিজৰ সংগী বিচাৰি প্ৰেমৰ অভিনয় কৰে আৰু ১৪ ফেব্ৰুৱাৰীত এই দিনটো পালন হয় কেৱল বন্ধ কোঠালীৰ মাজত। প্ৰেমৰ সপ্তাহ উকলি যোৱাৰ লগে লগে সেই প্ৰেমৰো ইতি পৰে। বিচ্ছেদৰ তালিকাত অন্তৰ্ভূক্ত হৈ পৰে।

সঁচাকৈয়ে আধুনিকতাৰ প্ৰেক্ষাপটত মানুহবোৰ একো একোটা যন্ত্ৰৰ দৰে হৈ পৰিছে। আৱেগ অনুভূতিৰ যেন কোনো মূল্য নোহোৱা হৈ পৰিছে। কেৱল নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণেহে সকলোৱে ওচৰ চাপি আহে। স্বাৰ্থ শেষ হোৱাৰ লগে লগে সকলো অচিনাকী হৈ পৰে।

ভেলেণ্টাইন ডে ইতিহাসৰ ক্লাউডিয়াছৰ বলিদানক অপৱিত্ৰ কৰা অনুচিত। লগতে প্ৰেমক অপৱিত্ৰ কৰিব নালাগে। প্ৰেম ভালপোৱা হ'ল স্বৰ্গীয় অনুভূতি। ঈশ্বৰৰ বৰদান স্বৰূপ। ইয়াক কেৱল বন্ধ কোঠালীৰ মাজত আৱদ্ধ নাৰাখি সন্মান কৰা উচিত।

প্ৰেমহীন জীৱন সকলোৱেই হয়তো জীয়াব পাৰিব কিন্তু সুখী হ'ব নোৱাৰিব।

**ম'বাইল ঃ** ৭০৯৯৩-৮৯৭৫৫



## মানৱস্ত

**জ্যোতিস্মিতা বৰা**

মই এটি গান হোৱা হ'লে
এই ধৰক,
নিঃসংগ হুমুনিয়াহৰ আঁৰে আঁৰে
হাঁহিবোৰ বোৱাই আনিব পৰাকৈ
এটি সৰু গান...
ওঁঠত হালধীয়া এখিনি সানি যদি লওঁ
তেতিয়া বাৰু ফাগুন নাহিব নেকি
বতাহত উৰি অহা গধূলি গোপালৰ পাহিটোৱেও
সূৰ্যাস্তৰ উমান পালে উচুপিব নেকি?
সপোন দেশৰ প্ৰান্তৰত আজি
যাযাবৰী হৈ উৰিছে এখন চিলা,
সূতাডালৰ এটা মূৰত মানৱতাই ধৰিছে...
আৰু অপেক্ষা কৰিছোঁ এটা এটা পল
প্ৰতিবাৰেই বিলুপ্ত মানৱতাৰ আঁৰত
গীতৰ সৃষ্টি হয়
এই সূতা ছিঙে নহ'লে
চিলাখন ক'ৰবাত লাগি ধৰে।
মই এটি গান হোৱা হ'লে,
এই ধৰক... মানৱতাৰ গান
মানৱতাক বিচাৰি শোভাযাত্ৰাত গোৱা গান

**ম'বাইল ঃ** ৮৪৭৪৮-৯৪৫৩৬

## উশাহ বন্ধ হৈ অহা কষ্টবোৰ

**নাচিমা য়াচমিন,**
বিশ্বনাথ চাৰিআলি

যিমানে ৰাতি গভীৰ হয়
উশাহ বন্ধ হৈ অহা কষ্টবোৰ
সিমানেই তীব্ৰ হয়।
বুকুৰ মাজৰ অব্যক্ত বেদনাবোৰ
কেৱল হুমুনীয়াহ কাঢ়ি ৰয়।

বাহ্যিক হাঁহিমুখী মুখনি চাই
সকলোৱেই ভাৱে সুখী আছোঁ,
কেৱল মই হে জানো
আভ্যন্তৰীণ বিষাদবোৰ
টোপোলা বান্ধি ৰাখিছোঁ।

নীৰৱতা অৱলম্বন কৰা
শব্দৰ অভাৱী মই,
ক'ব বিচাৰিলেও শুনোতা নাই
সকলোৱে ব্যস্ততাৰ অজুহাত দি থয়।

**ম'বাইল ঃ** ৭০৯৯৩-৮৯৭৫৫

## আবেলি পৰত

**হীৰক জ্যোতি দাস**

পশ্চিম আকাশৰ লহিওৱা বেলিটিয়ে
প্ৰতি সন্ধ্যা অংকন কৰেহি সাতোৰঙী
ৰামধেনু বুলীয়া জীয়া ছবিৰ
এখনি নিখুঁত কেনভাচ
সন্ধ্যা পৰত বলা মৃদু সমীৰণ জাকে
দীঘল কৈ বৈ পৰা তুলিতাৰিক
স্পৰ্শ কৰাৰ বাসনাত অধিক ব্যাকুল হৈ পৰে
এবুকু বিষাদ বুকুত বান্ধি সুখী হোৱাৰ
অভিনয়েৰে মুক্ত মনে
নীলাকাশত বিচৰণ কৰা ঘৰমুৱা পখী জাকৰ
আনন্দ ভৰা কলৰোলে
বিষন্ন হৃদয়ত আনন্দৰ ঢৌ তুলি যায়।
তলসৰা শুকান সৰাপাতৰ উচুপনিৰে
মুখৰিত কৰি তুলিছে মোৰ চৌপাশ
লঠঙা ডালে সেউজীয়াখিনিক হেৰুৱাই
চিঞৰা বিষাদ কাতৰ অনুভৱে
বুকুখনত বুজাব নোৱাৰা
বিষ এটিৰ সৃষ্টি কৰে।

## সৰস্বতী দেৱী নমস্তেসৈ নমঃ নমঃ

**নাছিৰ আহমেদ**
শিমলাবাৰী গোৱালপাৰা

আই ঐ, কাইলৈ সৰস্বতী পূজা
এতিয়ালৈ সাজু হোৱাই নাই;
কাইলৈ যে সাজি-কাচি
ধুনীয়া জনী হক্সব লাগিব ।

দুবছৰে খাটনি ধৰি,
পিতায়ে এযোৰ ধুনীয়া সাজ
দিবই নোৱাৰিলে;
দিবই বা কৰ পৰা?
পিতাইৰ তো বিউটিৰ ডেডিৰ দৰে
মেজৰ তলেদি টকাৰ স্ৰোত নবয়?
আই ঐ, তহঁতৰ দিনেই ভাল আছিল
চকু মুদি সৰে স্তুতি গাইছিল -
'সৰস্বতী দেৱী নমস্তেসৈ নমঃ নমঃ'
হে দেৱী, বাগদেৱী,
আমি যাতে পঢ়ি-শুনি জ্ঞানী হ'ব পাৰো
এতিয়া সৰে কয়-হে দেৱী, বাগ্‌দেৱী-
আমি যাতে ধুনীয়া জনী হ'ব পাৰো
আই ঐ, সৌন্দৰ্য প্ৰতিযোগিতাৰ ঢৌত উটি-ভাঁহি
আমি কাৰোবাৰ হাতৰ মুঠিত
পণ্য-সামগ্ৰী হোৱা নাইতো

**ম'বাইল ঃ** ৯১০১৪-৬৫৮০৫



## প্ৰেমৰ দলিলী

**কমলেশ কাঞ্চন**

ফাগুণৰ ৰিব ৰিব বতাহ
আৰু প্ৰেমাস্পদৰ এক হোৱাৰ স্বপ্ন
স্মৃতিৰ গহ্বৰত মধুৰ অতীত।
অধীৰ আগ্ৰহৰে বৈ থকা নাছিলোঁ
এটা বিশেষ দিনত
ৰঙা গোলাপ হাতত লৈ
আঠু কাঢ়ি
তোমাক ভালপাওঁ বুলি ক'বলৈ।

পুৰী সদৃশ ধুনীয়া কৰি তুলিবলৈ
আটকধুনীয়া দ্ৰব্যৰ সন্ধানত
মই ক্লান্ত হৈ পৰোঁ,
কল্পনাৰ সাগৰৰ সিপাৰে বৈ থাকোঁ
তোমাৰ ফটোখন চাওঁ
ব'হাগত কপৌ ফুল ফুলাৰ দৰে
হৃদয়ত স্ফুৰিত হয়
এপাহ ৰঙা পলাশ।

এতিয়া মৰমৰ জীয়া সাক্ষী
ক'লা চিয়াহীৰ ছিগনেচাৰ
চুক্তি হয় এখন দলিলত,
বিশ্বাসবোৰ জীয়াই থাকে
আলমিৰাৰ ফাইলৰ মাজত।
মোৰ দৰেই তুমি
ভেলেন্টাইনৰ সংজ্ঞা নজনা
প্ৰেমৰ বাবে কোনো তাৰিখ সময়
নিবিচৰা।

আঙুলিৰ ফাঁকত আঙুলি থৈ
জীৱনৰ চলমান পথত দুয়ো আগবাঢ়িছোঁ
ভেলেন্টাইন দে আমাৰ বাবে
মৰুভূমিৰ মৰীচিকা।

**ম'বাইল ঃ**৭০০২৪-২৩৭৯৯






*যোৱা ২ তাৰিখে নগাঁৱৰ লক্ষীনগৰ খাটুশ্যাম মন্দিৰত অনুষ্ঠিত কীৰ্ত্তন পাঠত উপস্থিত ভক্তগণ। লগতে উপস্থিত থাকে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা।*

# সদৌ অসম মৰিয়া (মুঃ) সন্থাৰ সপ্তদশ ত্ৰি বাৰ্ষিক অধিবেশনৰ অভ্যৰ্থনা সমিতি গঠন

**চন্দন শৰ্মা, জামুগুৰিহাট ঃ** সদৌ অসম অন্যান্য অতি পিছপৰা মৰিয়া (মুঃ) সন্থাৰ আগন্তুক সপ্তদশ ত্ৰি বাৰ্ষিক অধিবেশনখনি শোণিতপুৰ জিলাৰ পিঠাখোৱা গাঁৱত অনুষ্ঠিত হ'ব অহা ইং ২৬ আৰু ২৭ এপ্ৰিল, ২০২৫ তাৰিখে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা অধিবেশনখনি সৰ্বাঙ্গ সুন্দৰকৈ সমাপন কৰাৰ প্ৰয়াসেৰে ইং ৪ ফেব্ৰুৱাৰী ২০২৫ তাৰিখ মঙ্গলবাৰে পিঠাখোৱা মছজিদ প্ৰাংগণত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া সকলৰ লগতে শোণিতপুৰ জিলা সমিতিত অন্তৰ্ভূক্ত আটাইকেইখন মৰিয়া মুছলমান গাঁৱৰ সদস্যৰ উপস্থিতিৰে এখন বিশেষ ৰাজহুৱা সভা অনুষ্ঠিত কৰি মঃ ছাহজাহান আহমেদক সভাপতি আৰু মঃ চামচুল হকক সম্পাদক হিচপে লৈ এখনি ৫১ জনীয়া অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সদৌ অসম মৰিয়া (মুঃ) সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি মঃ মুক্তাৰ আলিৰ সভাপতিত্বত অনুষ্ঠিত সভাই আগন্তুক অধিবেশনখনিৰ সফল ৰূপায়ণৰ বাবে হাতত ল'ব লগা কাম সমূহৰ ওপৰত খৰচি মাৰি আলোচনা কৰে। লগতে মৰিয়া জনগোষ্ঠীৰ ইতিহাস তথা সংস্কৃতি সম্বলিত এখন আটক ধুনীয়া স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্তও সভাৰ সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হয়।

# ৰাণীত APSC ত সাফল্য বুটলা অৰূপ ডেকাক সম্বৰ্ধনা বিষ্ণু-জ্যোতি সংঘৰ



**শৈলেন কুমাৰ, মিৰ্জা ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এগৰাকী পশু চিকিৎসা বিষয়া হিচাপে নিযুক্তি লাভ কৰিবলৈ সক্ষম হ'ল গুৱাহাটী মহানগৰীৰ সমীপবৰ্তী ৰাণী জয়ন্তীপুৰৰ অতি দৰিদ্ৰ ঘৰৰ মেধাবী ছাত্ৰ অৰূপ ডেকাই। সৰুৰে পৰা মেধাসম্পন্ন অৰূপ ডেকাই দৰিদ্ৰতাক নেওচি চলাই গৈছিল নিজৰ অবিৰত শৈক্ষিক সংগ্ৰাম। পিতৃ পৰেশ চন্দ্ৰ ডেকা আৰু মাতৃ ৰুক্মিণী ডেকাৰ সুযোগ্য সন্তান অৰূপ ডেকাৰ পিতৃয়ে সমীপৱৰ্তী মৈৰাপুৰ মধ্য ইংৰাজী বিদ্যালয়ত সুদীৰ্ঘকাল চৰকাৰী বিনা বেতনে নিজৰ জীৱন উচৰ্গিত কৰি নিজ সন্তানক দিছিল উপযুক্ত শৈক্ষিক শিষ্টাচাৰ। যাৰ বাবে অৰূপ ডেকাই অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এগৰাকী দক্ষ চিকিৎসক হ'বলৈ সক্ষম হ'ল। সেয়ে বুধবাৰে বৃহত্তৰ ৰাণী অঞ্চলৰ অগ্ৰণী সামাজিক অনুষ্ঠান কাঁহাৰপাৰা 'বিষ্ণু-জ্যোতি'ই ডেকাক এখনি মানপত্ৰ, গামোচা, শৰাই, জাপি আৰু ফুলৰ থোপাৰে নিজ বাসগৃহত সম্বৰ্ধনা জনায়। 'বিষ্ণু-জ্যোতি' সংঘৰ সভাপতি পৰাগজ্যোতি দাস, সম্পাদক ধৰ্মেন্দ্ৰ দাস, উপ-সভাপতি ৰজনী দাস, সক্ৰিয় সদস্য ক্ৰমে ৰিতেন দাস আৰু ধনঞ্জয় দাসে এই সম্বৰ্ধনা জ্ঞাপন কৰে।

# আৱেগৰ আতিশয্য সঁচাকৈয়ে নিন্দনীয়

■ **হেৰম্ব নাথ**

**প**ৰিস্থিতি সাপেক্ষে মানুহে কান্দে আৰু কান্দিবই, এয়া মানৱ জীৱনৰ বাবে শাশ্বত সত্য কথা। সকলো জীৱৰে দুখ-বেদনা আছে, সেই অনুসৰি কান্দে। কিন্তু ধৰ্মীয় সভা-সমিতিত কান্দে কিয়? কেতিয়াবা আনন্দতো চকুপানী ওলাই, সেয়া সম্পূৰ্ণ পৃথক। কিন্তু কিছুমান ধৰ্মীয় সভা-সমিতিত যে কন্দা-কটা কৰে, এয়া মানি ল'বলৈ টান পাওঁ। লাজ লাগে দেখিলে। মানুহ ইমান আৱেগিক হোৱাৰ কি প্ৰয়োজন? যদি কোনোবাই অত্যুৎসাহী হৈ কান্দিছে, নিশ্চয় সেয়াও এক অঘোষিত ভুল। ভগৱান শ্ৰীকৃষ্ণৱো ধৰ্মশাস্ত্ৰ গীতাত কৈছিল- মানুহ আনন্দত থাকিলে সংযমী হ'ব লাগে। ইয়াৰ অৰ্থ কি? উত্তৰ হিচাপে ইয়াকে কওঁ- মানুহ মাত্ৰেই আনন্দত মতলীয়া হ'ব নালাগে, উৎসাহী হ'ব লাগে কিন্তু অত্যুৎসাহী হ'ব নালাগে। অত্যুৎসাহে মানুহক সংযমহীন কৰি পেলায়। ফলস্বৰূপে মানুহ অনাকাংক্ষিত বিপদৰ কবলত পৰে।

এক ফালৰ পৰা মানি লৈছোঁ-চকুপানী টোকাত বাধা নাই, যিটো বস্তু স্বয়ংক্ৰিয়ভাবেই নিগৰে। আনহাতে এয়া বিজ্ঞানসন্মত কথা। কিন্তু ৰাজহুৱা স্থান তথা ধৰ্মীয় সভাত চকুপানী টোকাতো শোভনীয় কাৰ্য হয় জানো? নিজক নিয়ন্ত্ৰণ কৰিব নোৱাৰে নে অন্য কিবা? বৃদ্ধ বয়সত তেনে আচৰণ কৰিলে শোভা নাপায় কেতিয়াও। সি যি কি নহওঁক, ধৰ্মৰ নামত আৱেগৰ বিস্ফোৰণ ঘটোৱা কাৰ্য বাৰুকৈয়ে নিন্দনীয়হে কিম্‌ধিকমিতি।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

প্ৰথম পৃষ্ঠাৰ পৰা

# গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেলৰ পুনৰ উন্নীতকৰণ আৰু সংবৰ্ধনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

যাত্ৰীসকলৰ নিৰাপত্তা পৰীক্ষণৰ দিশত সুবিধা হোৱাকৈ ইয়াৰ পৰিসৰ ৩০০ৰ পৰা ৪৫০ বৰ্গমিটাৰলৈ বৃদ্ধি কৰাৰ লগতে বিমান বন্দৰৰ যাত্ৰীসকলৰ বাবে উপলব্ধ হোৱাকৈ একাধিক খুচুৰা, খাদ্য আৰু মনোৰঞ্জনৰ সুবিধা বিমানবন্দৰত নতুনকৈ গঢ়ি তোলা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে শুভ উদ্বোধন কৰা এই গোটেইখিনি কাম যোৱা দুমাহত পৰিকল্পনা কৰি সম্পূৰ্ণ কৰা হৈছে যাৰ জৰিয়তে আগন্তুক এডভাণ্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনলৈ যিসকল আলহী আহিব তেওঁলোকে গুৱাহাটী বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত এক সুন্দৰ অভিজ্ঞতা পাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেলত পুনৰ উন্নীতকৰণ আৰু সংবৰ্ধনৰ এই ব্যৱস্থাত বিমান বন্দৰৰ বিষয়া-কৰ্মচাৰীসকলে যি অভিজ্ঞতা আহৰণ কৰিব তাৰ জৰিয়তে তেওঁলোকে নতুনকৈ নিৰ্মাণ কৰি থকা টাৰ্মিনেলটোত কাৰ্য পৰিচালনা কৰাত সুবিধা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নিৰ্মীয়মান নতুন টাৰ্মিনেলটো চলিত বৰ্ষৰ শেষাৰ্দ্ধত মুকলি কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। তেওঁ কয় যে অসম তথা উত্তৰ-পূবৰ দুৱাৰমুখ স্বৰূপ এই বিমান বন্দৰটো ভৱিষ্যৎ দিনবোৰত দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে গঢ়ি তোলা হ'ব। অতি কম সময়ৰ ভিতৰত আজি শুভ উদ্বোধন কৰা সকলো ব্যৱস্থা সুন্দৰকৈ নিৰ্মাণ কৰাৰ বাবে ইয়াৰ লগত জড়িত সকলো বিষয়া-কৰ্মচাৰীক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পুনৰ উন্নীতকৰণ আৰু সংবৰ্ধনৰ শুভ উদ্বোধন অনুষ্ঠানত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰীকা, মুখ্য বিমানবন্দৰ বিষয়া অশ্বিন নাৰোনহা প্ৰমুখ্যে বিমানবন্দৰৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

# শুৱালকুছিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন

অসমৰ লগত ব্যৱসায়ীক দিশত একত্ৰ হৈ অসমৰ উন্নয়নত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱাটোও অসমবাসীৰ বাবে আন এক শুভ খবৰ। তেওঁৰ নেতৃত্বত অসমে সকলো দিশতে উন্নয়নৰ জোৱাৰ দেখিছে। মুখ্যমন্ত্ৰী গৰাকীৰ জন্মদিনৰ লগত সংগতি ৰাখি সমন্বয় মঞ্চই শুৱালকুছিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰাত সত্ৰাধিকাৰ গৰাকীয়ে কৰ্মকৰ্তাসকলক ভূয়সী প্ৰশংসা কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সমন্বয় মঞ্চৰ সভাপতি প্ৰাণজিত দাস, মুখ্যমন্ত্ৰীৰ সহায়ক দিগন্ত শৰ্মা, প্ৰাক্তন মণ্ডল বিজেপিৰ সভাপতি হেমচন্দ্ৰ বৈশ্য প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি আৰু কাৰ্যকৰ্তাসকল। শিবিৰত স্বাস্থ্য পৰীক্ষা কৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক ক্ৰমে ডাঃ প্ৰবীণ কুমাৰ, ডাঃ জুমণি দেৱী, ডাঃ গোবিন্দ ৰাভা আৰু ডাঃ চুনেন্দু চাহা। লগতে শুৱালকুছি চিকিৎসালয়ৰ নাৰ্চ আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। শিৱিৰত প্ৰায় দ্বি-শতাধিক লোকে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰে। ৰোগীসকলক পৰ্যাপ্ত পৰিমাণে বিনামূলীয়া ঔষধো প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে জন্মদিনৰ কেক কাটে সত্ৰৰ ডেকা সত্ৰাধিকাৰ উজ্বল মহন্ত বাপে। আনহাতে মুখ্যমন্ত্ৰী গৰাকীৰ জন্মদিন উপলক্ষে স্থানীয় গান্ধী আশ্ৰমত এক চাফাই অভিযান চলায় শুৱালকুছিৰ বিজেপিৰ কাৰ্যকৰ্তা আৰু কৰ্মীসকলে।

# জাগীৰোডত 'আছাম ইলেকট্ৰনিক্স এণ্ড ছেমিকণ্ডাক্টৰ ল'জিষ্টিক্স পাৰ্ক'ৰ ক্ষেত্ৰ উন্নীতকৰণৰ কাম আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, বিধায়ক ৰমাকান্ত দেউৰী, শশীকান্ত দাস, জিএমডিএৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ উপৰি মুখ্য সচিব ড° ৰবি কোটাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি তথা শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শনকালতে টাটা ইলেকট্ৰনিক্সৰ শ্ৰমিক-কৰ্মচাৰী তথা বিষয়াসকলে মুখ্যমন্ত্ৰীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেৱল অসমৰে নহয়, সমগ্ৰ দেশৰে এক উল্লেখনীয় উদ্যোগত পৰিণত হ'বলগীয়া ছেমিকণ্ডাক্টৰ উদ্যোগটো জাগীৰোডত নিৰ্মাণৰ আঁৰত শ্ৰমিক-কৰ্মচাৰী তথা বিষয়াকে ধৰি বিভিন্নজনৰ শ্ৰম আৰু সেৱা নিহিত হৈ আছে। বহু সময়ত আঁৰত থকা এই ব্যক্তিসকলৰ অৱিহণাৰ কথা পাহৰি যোৱা হয় বুলি মন্তব্য কৰি প্ৰকল্পৰ সৈতে জৰিত প্ৰতিগৰাকী শ্ৰমিক-কৰ্মচাৰী তথা বিষয়াক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে জাগীৰোডত ছেমিকণ্ডাক্টৰ উদ্যোগ স্থাপনৰ বাবে টাটা ইলেকট্ৰনিক্সে লোৱা সিদ্ধান্তই অসমৰ উন্নয়নত এক নতুন দিশ প্ৰদান কৰিব। এই প্ৰকল্পত জড়িত হোৱাৰ উদ্দেশ্যে বহিঃৰাজ্যত কাম কৰি থকা বহু যুৱক-যুৱতী অসমলৈ উভতি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই প্ৰকল্পটোক লৈ বিভিন্ন স্তৰত আগ্ৰহ আৰু উৎসুকতাৰ সৃষ্টি হৈছে যদিও অসমৰ কিছু সংখ্যক লোকে প্ৰকল্পটোৱে কঢ়িয়াই আনিবলগীয়া সম্ভাৱনা অনুধাৱন কৰিব পৰা নাই। ৰাজ্যত কিছুবছৰ আগলৈকে বিৰাজ কৰা নিৰাশাৰ পৰিৱেশৰ বাবে এয়া হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ সহযোগিতাত স্থাপন হ'বলগীয়া এই ছেমিকণ্ডাক্টৰ উদ্যোগটোৱে প্ৰমাণ কৰিব যে বিশ্বৰ ভিতৰত অন্যতম জটিল প্ৰযুক্তি ব্যৱহাৰৰ প্ৰয়োজন হোৱা বৃহৎ উদ্যোগো অসমত স্থাপন হ'ব পাৰে। ৰাজ্যৰ যুৱ সমাজৰ মাজত আত্মবিশ্বাস গঢ়ি তোলাত এই উদ্যোগটোৱে অৱিহণা যোগাব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণত জন্মদিনৰ ওলগ জনোৱাৰ বাবে শ্ৰমিক-কৰ্মচাৰী তথা বিষয়াসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি কয় যে শ্ৰমিক-কৰ্মচাৰীসকলৰ কষ্ট আৰু শ্ৰমৰ বাবেই ভাৰতবৰ্ষই বিকাশৰ দিশত দ্ৰুত গতিত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। নতুন দিল্লীত নতুন সংসদ ভৱন নিৰ্মাণৰ পিছত সেই প্ৰকল্প নিৰ্মাণৰ সৈতে জড়িত শ্ৰমিক-কৰ্মচাৰীসকলক সম্বৰ্ধনা জ্ঞাপনৰ কথা উল্লেখ কৰি যিকোনো নিৰ্মাণৰ আঁৰত থকা লোকসকলক মুখ্যমন্ত্ৰীয়ে বিশ্বকৰ্মা বুলি কয়। তেওঁ লগতে জাগীৰোডৰ এই প্ৰকল্পটোৰ কাম নিৰ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰি এক মাইলৰ খুঁটি স্থাপন কৰিবলৈ উপস্থিত সকলোকে আহ্বান জনায়। ভাষণত মুখ্যমন্ত্ৰীয়ে টাটা ছন্সৰ অধ্যক্ষ প্ৰয়াত ৰতন টাটাৰ অসমৰ সৈতে থকা গভীৰ সম্পৰ্কৰ কথাও স্মৰণ কৰে। টাটাৰ এই প্ৰকল্পটোৱে দেশৰ অবিকশিত ঠাই উন্নয়নৰ দিশত প্ৰতিষ্ঠানটোৰ থকা দায়বদ্ধতাৰ সুন্দৰ উদাহৰণ দাঙি ধৰিছে বুলিও তেওঁ কয়। প্ৰকল্পটো ৰূপায়ণৰ দিশত অসম চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাসো মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে। এই উপলক্ষ্যত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, বিধায়ক ৰমাকান্ত দেউৰীৰ উপৰি মুখ্য সচিব ড° ৰবি কোটাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি তথা শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# হৰিনামৰ ধ্বনিত মুখৰ হ'ল শুৱালকুছিৰ ঐতিহাসিক ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ কানুবুঢ়া ঠাকুৰৰ সভা মহোৎসৱ



**দিলীপ মেধি, শুৱালকুছি ঃ** বস্ত্ৰনগৰী শুৱালকুছি আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ একমাত্ৰ উদাসীন ঐতিহাসিক ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ কানু বুঢ়া ঠাকুৰৰ তিৰোভাৱ তিথি উপলক্ষে সত্ৰ প্ৰাঙ্গণত সভা মহোৎসৱ অনুষ্ঠিত হয়। এই উপলক্ষে সত্ৰৰ চৌহদ এক উখল মাখল পৰিৱেশ বিৰাজ কৰে। সকলোৱে অসমীয়া সাজ পৰিধান কৰি ডিঙিত গমোচা লৈ সত্ৰত ভক্তি ভাৱেৰে প্ৰৱেশ কৰে। ৰাতিপুৱা ৯ বজাৰ পৰা আই মাতৃৰ নাম প্ৰসংগৰে সত্ৰৰ চৌদিশ মুখৰিত হৈ পৰে। ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা ভকত বৈষ্ণৱৰ নাম প্ৰসংগই বৃহত্তৰ অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তৰ নেতৃত্বত অনুষ্ঠিত নাম প্ৰসংগত জ্যেষ্ঠ ভকতসকলৰ লগতে যুৱক, চেমনীয়া আৰু শিশুসকলেও ধুতি, চেলেং, গামোচা আদি পৰিৱেশন কৰি হৰিনামত একাকাৰ হৈ পৰে। কীৰ্ত্তন পুথিৰ কেইবাটিও ঘোষা গাই গাই সকলোৱে হৰিনামৰ ধ্বনিৰে আকাশ বতাহ মুখৰ কৰি তোলে। নাম প্ৰসংগৰ অন্তত চৰিত্ৰ পাঠ, নিৰ্মাল্য আৰু প্ৰসাদ বিতৰণ কৰা হয়। ইয়াৰ আগতে সন্ধিয়া শুৱালকুছিৰ প্ৰধান প্ৰধান পথৰে গোহাঁইৰ পৰিভ্ৰমণ কৰা হয়। নিশা ৮ বজাত থিয়নাম পৰিৱেশন কৰা হয়।

# নগাঁৱত এছ,এছ ষ্টিল নামেৰে ফাৰ্নিচাৰ উদ্যোগ মুকলি




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ গাতে লাগি শিয়ালমাৰী কুটায়ানি গাঁৱত অলপতে এছ, এছ ষ্টিল নামেৰে ষ্টিলৰ ফাৰ্নিচাৰ ফাৰ্নিচাৰৰ নিৰ্মাণ কৰা এটি উদ্যোগ অলপতে মুকলি কৰা হয়। উদ্যোগটোৰ স্বত্বাধিকাৰী ছাদ্দাম হুছেইনে জানিবলৈ দিয়া মতে- নগাঁৱত পোন প্ৰথমবাৰৰ বাবে এই উদ্যোগটি মুকলি কৰা হৈছে। আমাৰ ইয়াত আলমিৰা, শ্বকেচ, দোকানৰ বাবে কাউণ্টাৰ টেবুল, ওৱাডদ্ৰপৰ লগতে ঘৰুৱা আৰু ব্যৱসায়ীক প্ৰতিষ্ঠানত ব্যৱহৃত সকলো ধৰণৰ ফাৰ্নিচাৰ অতি আধুনিক ডিজাইনৰে নিৰ্মাণ কৰা হয়। সেয়ে নগাঁওবাসী ৰাইজে এতিয়াৰ পৰা বহিঃৰাজ্যত নিৰ্মিত ষ্টিলৰ ফাৰ্নিচাৰ ক্ৰয় কৰিব নালাগে ৰাইজে নিজে উল্লেখিত ঠিকনালৈ আহি নিজে চাইচিতি মন পচন্দৰ ষ্টিলৰ ফাৰ্নিচাৰ অৰ্ডাৰ দিব পাৰিব বুলিও জনায়। তাৰোপৰি আমাৰ কৰ্মচাৰীসকলে ঘৰত গৈয়ো ৰাইজৰ সেৱা প্ৰদান কৰিব । সবিশেষ জানিবলৈ ৮১৬৯৭-৯৫৩৬৪ আৰু ৮৬৩৮৫-০৮৮৮৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।




Janasanyog RO no 4267/24/7-Feb-25

# নগাঁৱৰ কৰৈয়নীত কলংপৰীয়া বাৰগএগ্ৰা সমাজৰ দ্বাদশ সংখ্যক হেজাৰী ভাওনা মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

## প্ৰদৰ্শিত হ'ব ৩৩ খন অংকীয়া ভাওনা আৰু কেইবাখনো শিশু নাট



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ কৰৈয়নীস্থিত 'কলংপৰীয়া বাৰগএগ্ৰা সমাজ' আৰু 'বাৰগএগ্ৰা মহিলা সমিতিৰ যৌথ ব্যৱস্থাপনাত' অনুষ্ঠিত হ'বলগীয়া দ্বাদশ সংখ্যক হেজাৰী ভাওনা মহোৎসৱে এইবেলি হীৰক জয়ন্তী বৰ্ষত ভৰি দিলে। গুৰুজনাৰ অপূৰ্ব সৃষ্টি অংকীয়া ভাওনাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যৰে কৰৈয়নী বৰডোঙা পথাৰৰ অক্ষয় বন্তি প্ৰজ্বলিত সাৰ্বজনীন হেজাৰী ভাওনা মন্দিৰত অহা ১৩, ১৪, ১৫ আৰু ১৬ মাৰ্চত চাৰিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে হেজাৰী ভাওনা মহোৎসৱৰ আয়োজন কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। কাৰ্যসূচী অনুসৰি ১৩ মাৰ্চত পুৱা ঊষাকীৰ্তন কীৰ্তনৰ পিছতেই কলংপৰীয়া বাৰগএগ্ৰা সমাজৰ ধৰ্মধ্বজা উত্তোলন আৰু ভাওনা মহোৎসৱৰ মূল পতাকা উত্তোলন কৰিব ক্ৰমে কলংপৰীয়া বাৰগএগ্ৰা সমাজৰ সভাপতি নবীন চন্দ্ৰ গোস্বামী আৰু উদ্‌যাপন সমিতিৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই। হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অঞ্চলটোৰ স্থানীয় আৰু আমন্ত্ৰিত ব্যক্তিসকলৰ দ্বাৰা ৬০ খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পিছতেই বাটচ'ৰা উন্মোচন আৰু সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১৪ মাৰ্চত পুৱা ঊষাকীৰ্তন কীৰ্তন, দৌল পূজা, প্ৰতি ৰভাত নাম কীৰ্তন আৰু দিনৰ ২ বজাত ধৰ্মালোচনী সভা আৰু স্মৃতিগ্ৰন্থ 'কৰাপাট' উন্মোচন কৰা হ'ব। নিশা প্ৰতি ৰভাত অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। ১৫ মাৰ্চত পুৱা শিশু অনুষ্ঠান 'জ্যোতিষ্কৰ' ব্যৱস্থাপনাত পুৱা শিশু সন্মিলন (শংকৰী কলা-কৃষ্টি প্ৰদৰ্শন), দুপৰীয়া শিশু আলোচনী 'জ্যোতিষ্ক' উন্মোচন আৰু বিশিষ্ট সমাজ সংগঠক ভাবুৰাম কেওটক 'জ্যোতিষ্ক' সন্মান প্ৰদান কৰা হ'ব। বিয়লি সম্বৰ্ধনা অনুষ্ঠান আৰু নিশা শিশুসকলৰ দ্বাৰা কেবাখনো শিশু নাটক প্ৰদৰ্শন কৰা হ'ব। অন্তিম দিনা পুৱা প্ৰতি ৰভাত খোল প্ৰসঙ্গ, নামকীৰ্তন, দিনৰ ২ বজাত প্ৰতি ৰভাত শিশুসকলৰ দ্বাৰা অংকীয়া ভাওনা প্ৰদৰ্শন আৰু নিশা প্ৰতি ৰভাত গুৰুজনাৰ অপূৰ্ব সৃষ্টি 'কেলিগোপাল' নাট প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে, ১৯৬৬ চনত কলংপৰীয়া বাৰগএগ্ৰা সমাজ নামৰ এটি ধৰ্মীয় অনুষ্ঠানৰ গঢ়ি তোলা হৈছিল। জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ, প্ৰসাৰ, কলা-কৃষ্টি চৰ্চাৰ লগতে নৱৰসেৰে সমৃদ্ধ অংকীয়া ভাওনা প্ৰদৰ্শনৰ মূল উদ্দেশ্য আগত ৰাখি উৰিয়া গাঁৱৰ সমীপৰ বৃহত্তৰ কৰৈয়নী অঞ্চলৰ মধ্যস্থল বৰডোঙা পথাৰত পদ্মকৃতিৰ নৱদ্বাৰযুক্ত এটা মন্দিৰ নিৰ্মাণ কৰা হৈছিল। ২০০৭ চনত বৰপেটা সত্ৰৰ পৰা অক্ষয় বন্তিৰ শিখা আনি মন্দিৰত স্থাপন কৰা হৈছিল। মন্দিৰটোৰ প্ৰতিষ্ঠাকালৰ পৰাই প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে হেজাৰী ভাওনা মহোৎসৱৰ উদ্‌যাপন কৰি অহা হৈছে। এইবাৰ হেজাৰী ভাওনা মহোৎসৱত ১১ ৰভাত মুঠ ৩৩ খন অংকীয়া ভাওনা প্ৰদৰ্শনৰ প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে ভাওনা মহোৎসৱৰ কাম-কাজ পৰিচালনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক, বাৰগএগ্ৰা সমাজৰ প্ৰতিষ্ঠাপক সভাপতি, বিশিষ্ট শিক্ষাবিদ তথা সত্ৰাধিকাৰ প্ৰসন্ন কুমাৰ গোস্বামীক মুখ্য উপদেষ্টা, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাক সভাপতি, ক্ষীৰকান্ত শৰ্মা, ভুবন চন্দ্ৰ শৰ্মাক কাৰ্যকৰী সভাপতি, দিলীপ বৰাক সম্পাদক, শম্ভু শইকীয়াক কোষাধ্যক্ষ, সোনাৰাম বৰাক স্মৃতি গ্ৰন্থৰ সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰাৰ লগতে ভাওনা মহোৎসৱৰ বিভিন্ন দিশ পৰিচালনাৰ বাবে ৭ খন উপ সমিতি গঠন কৰা হৈছে। ভাওনা মহোৎসৱলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আয়োজন সমিতিয়ে। উক্ত ভাওনা মহোৎসৱৰ সমূহ কাৰ্যসূচীত জিলাখনৰ লগতে অঞ্চলটোৰ ৰাইজৰ সহায়-সহাযোগিতা আৰু উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।



*মাত্ৰ তিনি বছৰ তিনি মাহ বয়সতে India book of record কৰিবলৈ সক্ষম হৈছে গুৱাহাটী সোনাপুৰৰ নিবাসী পিতৃ দ্বিপেন দেউৰী আৰু মাতৃ ৰুবী বৰুৱাৰ একমাত্ৰ পুত্ৰ সন্তান ধৃহান দিত্যম দেউৰী। তেওঁ আমাৰ ভাৰতবৰ্ষৰ ২৮ খন ৰাজ্যৰ ৰাজধানী মাত্ৰ ২১ ছেকেণ্ডৰ ব্যৱধানত মুখস্থ মাতি সম্পূৰ্ণ কৰিছে।*

# ডিব্ৰুগড় জিলাত ৪ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ-২০২৫

**ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড় ঃ** ৰাজ্যখনৰ শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ২০২৫ বৰ্ষৰ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ কাৰ্যসূচী ৪ ফেব্ৰুৱাৰীৰ পৰা ডিব্ৰুগড় জিলাত অনুষ্ঠিত হ'ব। ডিব্ৰুগড় জিলাৰ সকলো চৰকাৰী, প্ৰাদেশিকৃত, প্ৰাথমিক ও মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয় আৰু দুখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয় সাঙুৰি মুঠ ১,৬৩৬ খন বিদ্যালয়ত এই গুণোৎসৱ-২০২৫ অনুষ্ঠিত হ'ব। এইবাৰৰ গুণোৎসৱ ২০২৫ত ডিব্ৰুগড় জিলাত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে মুঠ ১,১২,০০২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। বিদ্যালয়সমূহৰ স্ব-মূল্যায়ন প্ৰক্ৰিয়া ৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আৰু ৫, ৬ তথা ৭ ফেব্ৰুৱাৰীত বহিঃমূল্যায়ন প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ডিব্ৰুগড় জিলাত গুণোৎসৱ-২০২৫ত মুঠ ৬৪৭গৰাকী বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াই বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, শৈক্ষিক ফলাফল বৃদ্ধি কৰি গুণগত প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ২০১৭ চনৰ পৰাই শিক্ষা বিভাগে গুণোৎসৱৰ কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে।

# যোৱা বছৰ খোজকাঢ়ি খোজ কাঢ়িছিলো, এতিয়া দিল্লী পালো

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰাৰ হেঁপাহ লৈ অসমৰ এজন যুৱক সাজন ডলী



**অৰুণ বৰ্মন, নতুন দিল্লী ঃ** দিল্লীৰ চাণক্যপুৰীৰ নেহৰু পাৰ্কত ভোৰালি বিহুৰ এক বিশেষ অনুষ্ঠান চলি আছিল, বিশেষ কভাৰেজৰ বাবে তাত উপস্থিত আছিলো। তেতিয়া দিল্লীৰ থেলাছেমিয়া ছ'চাইটিত কাম কৰা মোৰ সমাজকৰ্মী শ্ৰীমতী মনীষা গগাই মোৰ ওচৰলৈ আহিল তাই মোক ক'লে যে এজন যুৱক অসমৰ পৰা আহি গুৱাহাটীৰ পৰা খোজকাঢ়ি দিল্লী পালেহি। মাত্ৰ তেওঁৰ লগত কথা পাতিব লাগে আৰু তেওঁৰ সাক্ষাৎকাৰ ল'ব লাগে। তেওঁৰ অনুৰোধত মই ডেকাজনৰ ওচৰলৈ গৈ কথা-বতৰা পাতিলোঁ। সেই যুৱকজনৰ আৱেগ আৰু সাহস দেখি মই আচৰিত হৈ পৰিলোঁ। ৩০ বছৰীয়া যুৱকজনে জনোৱা মতে, ২০২৪ চনৰ ৩০ অক্টোবৰত বন্ধুৰ সৈতে গুৱাহাটী এৰি যোৱা ২৪ জানুৱাৰীত দিল্লীত উপস্থিত হৈছিল। এইজন যুৱক যাৰ নাম তেওঁ কৈছিল সাজন দোলে। এই দুঃসাহসিক যাত্ৰাৰ উদ্দেশ্য সোধাত তেওঁ ক'লে যে মই ইয়াত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক আৰু মোৰ ৰাজ্য জিলা ধীমাজীক লগ কৰিব বিচাৰো আৰু গাঁওখনৰ উন্নয়নৰ কথা ক'ব বিচাৰিছো। তেওঁ গম পালে যে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিমন্ত বিশ্ব শৰ্মা আৰু অসমৰ বিশেষ প্ৰবাসী অসমীয়া ৰাইজেও এই বিশেষ বিহু কাৰ্যসূচীত অংশগ্ৰহণ কৰিব আৰু সাজনে আশা কৰিলে যে কোনোবাই তেওঁক প্ৰধানমন্ত্ৰীৰ ওচৰলৈ লৈ যাব। পাঠকসকলে এই যুৱকজনৰ ইচ্ছা পূৰণ হওক আৰু তেওঁৰ সাহস আনৰ বাবে প্ৰেৰণা হৈ উঠে তাৰ বাবে প্ৰাৰ্থনা কৰক।




*স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।*
*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &*
*Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor :* Pranati Bora
*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

*সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া*
*সম্পাদক ঃ প্ৰণতি বৰা*